তৃতীয় অধ্যায়

প্ৰাচ্যৰ আলংকাৰিকৰ নন্দনতত্ত্বৰ আধাৰত শঙ্কৰদেৱৰ কাব্য বিচাৰ

৩.১.০ শঙ্কৰদেৱৰ কাব্যত ৰসৰ প্ৰয়োগ ঃ

প্ৰাচ্যৰ আলংকাৰিকৰ নন্দনতত্ত্বৰ আধাৰত শঙ্কৰদেৱৰ কাব্য বিচাৰ কৰিবলৈ আগবাঢ়িলে কেইটামান দিশত বিশেষ মনোযোগ দিব লগা হয়। সেই দিশকেইটা হ'ল চমুকৈ ৰস, অলংকাৰ, ধ্বনি আৰু ছন্দ সজ্জা। প্ৰাচীন ভাৰতীয় আলংকাৰিকসকলে ঘাইকৈ এইকেইটা দিশৰ ওপৰতে নিৰ্ভৰ কৰি কাব্যৰ সৌন্দৰ্য বিশ্লেষণ কৰিছিল।

কলাৰ লগত সৌন্দৰ্য, আনন্দ আৰু ৰস জড়িত হৈ আছে। সেয়ে স্বাভাৱিকতে কলাৰ এটা ভাগ হিচাপে কাব্যৰ লগতো ৰসৰ সম্পৰ্ক থাকিবই। কবিতাৰ প্ৰধান কাম ৰস সৃষ্টি কৰা। যাক আস্বাদনৰ বাবে সাহিত্য বাৰে বাৰে অধ্যয়ন কৰা হয় সিয়েই ৰস। ৰস উপভোগৰ বাবেই সাহিত্যৰ পুনঃ পুনঃ অধ্যয়ন কৰা হয়। ৰসৰ উপলব্ধিয়ে পাঠকক অলৌকিক জগতলৈ লৈ যায়, ৰসে পাঠকক অপাৰ্থিৱ আনন্দ অনুভূত কৰায়। সেয়ে কাব্য পাঠৰ জড়িয়তে পোৱা আনন্দক (কাব্যানন্দ) ব্ৰহ্মস্বাদ সহোদৰ বুলিও বহুতে ক'ব খোজে। কাব্যৰ জৰিয়তে ৰস আস্বাদন কৰা অৱস্থাত পাঠক অতিজাগতিক জগতলৈ গুচি যায়। কিয়নো 'ৰস হ'ল - সৌন্দৰ্য বোধৰ পৰা ওপজা মনৰ এটি অতি জাগতিক আনন্দময় অৱস্থা।'[১] "ৰস বিচাৰৰ আদৰ্শই পৃথিৱীৰ সাহিত্যৰ বুৰঞ্জীত প্ৰাচীন ভাৰতীয় সাহিত্যক এক বিশিষ্ট আসন দিছে।"[২] ৰস কাব্যৰ লগত অবিচ্ছেদ্য ভাৱে সংযুক্ত। ৰস শব্দই সাধাৰণতে জুলীয়া পদাৰ্থ, ভাল লগা, ভাল পোৱা বা আনন্দ অৱস্থাক সূচালেও কাব্যৰ ৰস হ'ল কাব্য আস্বাদনৰ জৰিয়তে লাভ কৰা আনন্দ। কাব্যৰ এই আনন্দ অসীম, অনন্ত। কোনো ধৰণৰ কালিক বা ভৌগোলিক সীমাৰেখাৰে ইয়াক বান্ধিব নোৱাৰি। ই কোনো ব্যক্তি বিশেষৰ আনন্দ নহয়। নিৰ্বিশেষ বাবেই কাব্যনন্দক ব্ৰহ্মানন্দৰ লগত তুলনা কৰা হৈছে।[৩]

---

১ কৰবী ডেকা হাজৰিকা, *কবিতাৰ ৰূপছায়া,* পৃ.১৫৭

২ কেশদা মহন্ত "শঙ্কৰদেৱৰ সাহিত্যৰ ৰস বিচাৰ", অংশুমান দাসৰ *শংকৰদেৱৰ ভাষা আৰু সাহিত্য,* পৃ. ২২৪

৩ নৰকুমাৰ সন্দিকৈ "সাহিত্যৰ ৰস আৰু তাৰ বিচাৰ", তিলক বৰা, *কাব্য আৰু কাব্যতত্ত্ব,* পৃ.৬৪

কাব্যপাঠৰ "আনন্দই যেতিয়া হৃদয় স্পৰ্শ কৰে, তেতিয়া শোক, দুখ, ক্ষুধা আদি সকলো জাগতিক অনুভূতি লুপ্ত হৈ পৰে। থাকে মাথো এক সীমাহীন আনন্দৰ অনুভূতি। চৰাচৰ হৈ পৰে আনন্দময়।"[৪] এই আনন্দ পাবৰ বাবেই কাব্যৰসিকজনে বাৰম্বাৰ কাব্য পাঠ কৰে। আৰু সেইখন কাব্যই পাঠকে বাৰে বাৰে অধ্যয়ন কৰিব য'ত কিবা নহয় কিবা এটা 'সৌন্দৰ্য' বিচাৰি পাব। অৰ্থাৎ সৌন্দৰ্যৰ লগত আনন্দ আৰু ৰসৰ প্ৰত্যক্ষ সম্পৰ্ক আছে। অৱশ্যে সহৃদয়জন নহ'লৈ কাব্যপাঠৰ জড়িয়তে আনন্দ লাভ কৰিব নোৱাৰি। দৰাচলতে "রস হচ্ছে গ্রহণের তৃপ্তি, পুলক, ইন্দ্রিয়োপলব্ধি। এই রসভাব সুখের অভিজ্ঞতা থেকে হতে পারে, দুঃখের অভিজ্ঞতা থেকেও উৎপন্ন হতে পারে।"[৫]

৩.১.১ ৰসৰ সংজ্ঞা ঃ

ভাৰতীয় আলংকাৰিকসকলৰ বাবে বিশেষভাৱে গুৰুত্বপূৰ্ণ ৰসেই বিশ্বৰ সাহিত্যত ভাৰতীয় সাহিত্যক ব্যতিক্ৰমীৰূপত পৰিচয় দিয়াই আহিছে। "ভৰত মুনিয়েই হৈছে ৰসতত্ত্বৰ প্ৰথম প্ৰৱৰ্তক। এই গৰাকী মুনিৰ দ্বাৰা বিৰচিত নাট্যশাস্ত্ৰ হৈছে নাট্য বিষয়ক এখন বিশ্বকোষ সদৃশ গ্ৰন্থ। ছয়ত্ৰিশটা অধ্যায়যুক্ত এই গ্ৰন্থখনৰ ষষ্ঠ অধ্যায়ত নাটকত ৰসৰ প্ৰয়োগৰ কথা বিৱৰি কৈছে। প্ৰথমে তেওঁ নহি ৰসাদৃতে কশ্চিদ প্যৰ্থ ঃ প্ৰৱৰ্ত্ততে - অৰ্থাৎ ৰসৰ ব্যতিৰেকে কোনো অৰ্থ থাকিব নোৱাৰে বুলি কৈ ৰসৰ সুত্ৰটো দাঙি ধৰিছে এনেদৰে - তত্ৰ বিভাবানুভাৱব্যভিচাৰি - সংযোগাদৰস নিস্পত্তি ঃ - অৰ্থাৎ বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰি ভাৱৰ সহযোগত ৰসৰ নিষ্পত্তি হয়।

তেওঁৰ মতে স্থান, কাল নিৰ্বিশেষে সকলো মানুহৰে একেই স্থায়ীভাব বোৰ থাকেই। বিশেষ বিশেষ পৰিস্থিতিত যেতিয়া স্থায়ীভাৱৰ লগত বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰীভাৱৰ সংযোগ ঘটে তেতিয়াই ৰস নিস্পত্তি হয়। ভৰতে আঠটা স্থায়ীভাৱ (ৰতি, হাস, শোক, ক্ৰোধ, উৎসাহ, ভয়, জুগুপ্সা আৰু বিস্ময়) আছে বুলিছে যদিও আনন্দবৰ্ধন আৰু অভিনৱগুপ্ত আদি আলংকাৰিকে শম বা নিৰ্ব্বেদ নামৰ আৰু এটা স্থায়ী ভাৱ স্বীকাৰ কৰি লৈছে। এই স্থায়ীভাৱ বিলাক যেতিয়া বিশেষ পৰিস্থিতিত

৪ কৰবী ডেকা হাজৰিকা, পূৰ্বোল্লিখিত, পৃ.১৫৭

৫ সৈয়দ মনজুরল হুছেইন, *নন্দনতত্ত্ব*, পৃ.৩৬

জাগৃত হৈ উঠে তাকে বিভাৱ বোলা হয়। বিভাৱ দুবিধ - আলম্বন বিভাৱ আৰু উদ্দীপন বিভাৱ। যাক অৱলম্বন কৰি স্থায়ীভাৱ জাগৃত হয় তাক আলম্বন বিভাৱ আৰু যি পৰিস্থিতি বা পাৰিপাৰ্শ্বিক অৱস্থাই এই স্থায়ীভাৱক উদ্দীপিত কৰি তোলে তাক উদ্দীপন বিভাৱ বোলে। “কোনো নায়ক বা নায়িকাৰ অন্তৰত কোনো এটা স্থায়ীভাৱ উদ্রিক্ত হ’লে তেওঁৰ বিশেষ ধৰণৰ শাৰীৰিক চেষ্টা, মুখৰ বচন আদিৰ মাজেদি সেই বিশেষ স্থায়ীভাৱটো যে উদ্রিক্ত হৈছে তাৰ উমান পোৱা যায়।”[৬] এনেদৰে স্থায়ীভাৱৰ উৎপত্তিৰ লগত জড়িত আনুষঙ্গিক (খঙ উঠিলে হাত দাঙি খেদি যোৱা) ভাৱৰ প্ৰকাশকে অনুভাৱ বোলা হয়। স্থায়ীভাৱৰ উদয়ৰ পাছত অনুভাৱবোৰ দেখা পোৱা যায়। অনুভাৱবোৰৰ লগে লগে যিবোৰ ভাৱ মনোজগতত অহা যোৱা কৰি থাকে আৰু শৰীৰতো যাৰ অভিব্যক্তি ঘটে, সেই সঞ্চৰণশীলভাৱবোৰকে সঞ্চাৰী বা ব্যভিচাৰী ভাৱ বোলে।

৩.১.২ ভৰতৰ ৰসসূত্ৰৰ ব্যাখ্যা ঃ

“ৱিভাৱানুভাৱ ব্যভিচাৰি সংযোগাদ ৰসনিস্পত্তি ঃ - নাট্যশাস্ত্ৰৰ ষষ্ঠ অধ্যায়ৰ এই বাক্যটিকে ভৰতৰ ৰসসূত্ৰ বোলা হয়।”[৭] ভৰতে সূত্ৰটোত ব্যৱহাৰ কৰা নিষ্পত্তি শব্দটো বেলেগ বেলেগ আলংকাৰিকে বেলেগ অৰ্থত ব্যৱহাৰ কৰিছে। উৎপত্তি, অনুমিতি, ভুক্তি আৰু অভিব্যক্তি - এই চাৰিটা ব্যাখ্যাৰ আধাৰত চাৰিটা মতবাদৰ সৃষ্টি হৈছে যদিও অভিব্যক্তিৰ আধাৰত মত আগবঢ়োৱা অভিনৱগুপ্তৰহে অভিব্যক্তিবাদ মতবাদটো অলংকাৰ গ্ৰন্থত পোৱা যায়। দশম শতিকাৰ দ্বিতীয়াৰ্ধৰ কাশ্মিৰী আলংকাৰিক অভিনৱগুপ্তই অভিনৱ ভাৰতী নামৰ নাট্যশাস্ত্ৰৰ এটা টীকা প্ৰস্তুত কৰে, য’ত ৰসৰ অভিব্যক্তিবাদ মতবাদ সন্নিৱিষ্ট হৈ আছে।

নৱম শতিকাৰ ভট্টলোল্লটকে ৰসসূত্ৰৰ প্ৰথম ব্যাখ্যাকাৰ বুলি ধৰা হয়। ৰসক কাৰ্য বিভাৱক কাৰণ হিচাপে উৎপাদক-উৎপাদ্যৰ সম্পৰ্কৰ আধাৰত ৰস উৎপত্তি হয় বুলি তেওঁ মত আগবঢ়াইছে। অন্য এজন আলংকাৰিক শংকুকৰ ৰস বিষয়ক সিদ্ধান্তক অনুমিতিবাদ বুলি জনা যায়। তেওঁৰ মতে দৰ্শকে ৰস

---

৬ মুকুন্দ মাধৱ শৰ্মা, *ধ্বনি আৰু ৰসতত্ত্ব*, পৃ. ৩৭

৭ মুকুন্দ মাধৱ শৰ্মা, উল্লিখিত, পৃ.৩৮

অনুমান কৰি লয়। নিপুনভাৱে উপস্থাপিত বিভাৱ আদিৰ সহায়ত স্থায়ী ভাৱটো অভিনেতাৰ হৃদয়ত জাগি উঠিছে বুলি অনুমান কৰি লোৱা হয়। তেওঁৰ মতে অনুমানৰ দ্বাৰা বুজিব পৰাটোৱেই ৰস, "খ্ৰীষ্টীয় দশম শতিকাৰ প্ৰথম ভাগৰ কাশ্মীৰৰ আলংকাৰিক ভট্টনায়কে অৱশ্যে ৰসৰ উৎপত্তি বা অনুমান সমৰ্থন নকৰে। তেওঁৰ মতে ৰসৰ উৎপত্তি নহয় অথবা স্মৰণো নহয়।"[৮] অধিভা, ভাৱকত্ব আৰু ভোজকত্ব শক্তিৰ বাবেই পাঠক বা দশক আনন্দময় অৱস্থাত উপনীত হয়। এই আনন্দ প্ৰাপ্তিয়েই ৰসাস্বাদ। ৰস হৈছে আত্মাৰ ভোগ বা ভুক্তি আৰু সেইবাবেই এই তত্ত্বক ভুক্তিবাদ বুলি কয়। অভিনৱগুপ্তই তেওঁৰ অভিনৱ ভাৰতী টীকাত ৰসসূত্ৰৰ এই তিনিওটা মতবাদক অস্বীকাৰ কৰি নিজৰ মত সাপেক্ষে 'অভিব্যক্তিবাদ' মতবাদ আগবঢ়ায়। "তেওঁৰ মতে শব্দৰ ব্যঞ্জনাশক্তিয়ে মনৰ অবিদ্যা আঁতৰাই নি চেতনাৰ আনন্দময় অৱস্থাখিনি প্ৰকাশ কৰে। এই প্ৰকাশেই হৈছে অভিব্যক্ত আৰু সেইবাবেই ইয়াৰ নাম অভিব্যক্তিবাদ।"[৯]

কাব্যত ৰসৰ গুৰুত্ব উপলব্ধি কৰিয়েই অন্য এজন আলংকাৰিক বিশ্বনাথ কবিৰাজে আগবঢ়োৱা মতটো হ'ল - বাক্যং ৰসাত্মকং কাব্যম। কাব্যত ৰসযুক্ত বাক্যৰ সংযোজনৰ ওপৰত গুৰুত্ব দি বিশ্বনাথ কবিৰাজে দৰাচলতে কাব্য আৰু ৰসৰ অবিচ্ছেদ্য সম্পৰ্কৰ কথাই বৰ্ণনা কৰিছে।

৩.১.৩ ৰসৰ সংখ্যা আৰু ৰসৰ প্ৰাধান্য ঃ

ভৰতে আঠ প্ৰকাৰৰ ৰসৰ কথা উল্লেখ কৰিছে এনেদৰে -

শৃঙ্গাৰ হাস্যকৰুণা ৰৌদ্ৰ বীৰভয়ানকাঃ
বীভৎসাদ্ভূত সংজ্ঞৌ চেত্যষ্টৌ নাট্যে ৰসাঃ স্মৃতা।।

ৰতি, হাস, শোক, ক্ৰোধ, উৎসাহ, ভয়, জুগুপ্সা ঘৃণা আৰু বিস্ময় নামৰ আঠটা স্থায়ী ভাৱৰ আধাৰত শৃঙ্গাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক বীভৎস আৰু অদ্ভূত ৰসৰ কথা ভৰত মুনিয়ে নাট্য শাস্ত্ৰতে উল্লেখ কৰি গৈছে। উদ্ভূট আৰু অভিনৱ গুপ্তই শম নামৰ স্থায়ীভাৱৰ আধাৰত শান্ত ৰসৰ সংযোগেৰে ৰসৰ সংখ্যা

---

৮ কেশদা মহন্ত, পূৰ্বোল্লিখিত, পৃ.৬৯
৯ কেশদা মহন্ত, পূৰ্বোল্লিখিত, পৃ.৭০

ন লৈ বৃদ্ধি কৰিলে। অৱশ্যে পৰৱৰ্তী সময়ত বেলেগ বেলেগ আলংকাৰিকেও নিজৰ ধৰণেৰে ৰসৰ উল্লেখেৰে (বিশ্বনাথ কবিৰাজ - বাৎসল্য, ৰুদ্রট - প্রেয় ইত্যাদি) ৰসৰ সংখ্যা বৃদ্ধি কৰা দেখা যায়।

ৰসৰ প্ৰকাৰভেদৰ দৰে ৰসৰ প্ৰাধান্যৰ ক্ষেত্ৰতো আলংকাৰিকসকলৰ মাজত মতভিন্নতা থকা দেখা যায়। অভিনৱগুপ্তই শান্তক মূল ৰসৰ মৰ্যাদা দিয়াৰ দৰে ভোজৰাজে *সৰস্বতী কণ্ঠাভৰণ* আৰু *শৃঙ্গাৰ প্ৰকাশ* নামৰ গ্ৰন্থত শৃঙ্গাৰ ৰসক ঘাই ৰস বুলিছে। ভৱভূতিৰ মতে কৰুণ ৰসেই একমাত্ৰ ৰস আৰু বিশ্বনাথ কবিৰাজৰ প্ৰপিতামহ নাৰায়ণ পণ্ডিতৰ মতে অদ্ভূত ৰসহে প্ৰধান ৰস। এনেদৰে আলংকাৰিকসকলে নৱ বিধ ৰসৰ প্ৰকাৰভেদ স্বীকাৰ কৰিও এটা নিৰ্দিষ্ট ৰসক প্ৰাধান্য দিয়া পৰিলক্ষিত হয়।

ৰসৰ আস্বাদযোগ্যতা, আনন্দধৰ্মিতা গুণৰ বাবে সংস্কৃত অলংকাৰ শাস্ত্ৰত ৰসৰ গুৰুত্ব অপৰিসীম। সেইবাবেই বিশ্বনাথ কবিৰাজে কাব্যৰ সংজ্ঞাৰ প্ৰসঙ্গত ৰসৰ গুৰুত্বলৈ লক্ষ্য ৰাখিয়েই সংজ্ঞা দিছিল এনেদৰে "বাক্যং ৰসাত্মকম কাব্যম।"

৩.১.৪ শঙ্কৰদেৱৰ কাব্যত ৰসৰ বৈচিত্ৰ্য আৰু সৌন্দৰ্য ঃ

নিজৰ কবিসত্তাক সচেতনতাৰে বহন কৰি লৈ ফুৰা কবি শঙ্কৰদেৱ কাব্যত ৰসৰ প্ৰয়োগ সম্পৰ্কেও সচেতন আছিল। "কাব্যৰস কিছু দিছো" বুলি কৰা উল্লেখেই প্ৰমাণ কৰে কবি শঙ্কৰদেৱ কাব্যত ৰস প্ৰয়োগ সম্পৰ্কেও সচেতন আছিল। লগতে মাধৱ কন্দলীৰ উত্তৰসূৰী হিচাপে শঙ্কৰদেৱ ৰুচিসন্মত বৌদ্ধিক পৰিৱেশৰ পাঠক, সভাসদ সাধুজনৰ ৰুচিসম্পৰ্কেও অৱগত আছিল। সেইবাবে তেওঁৰ কাব্যত ৰসৰ যথোচিত প্ৰয়োগেৰে সেই ৰুচিসন্মত পাঠকক আকৰ্ষণ কৰিব বিচাৰিছিল। তদুপৰি, শঙ্কৰদেৱৰ সাহিত্য অন্যান্য বৈষ্ণৱ সাহিত্যৰ দৰেই মূলতঃ অনুসৃষ্টিমূলক হোৱা বাবেই মূলৰ পৰা একেবাৰে ফালৰি কাটি আহিব পৰা নাছিল। মূলত যিহেতু ৰসৰ ওপৰত গুৰুত্ব দিয়া হৈছিলেই, গতিকে স্বাভাৱিকতে শঙ্কৰদেৱৰ কাব্যতো ৰসে প্ৰাধান্য পাইছিল। শঙ্কৰদেৱৰ কাব্যসমূহত সকলো ৰসেই সমানে গুৰুত্ব লাভ কৰা নাই। তথাপিও কাহিনীৰ প্ৰয়োজনত যেতিয়াই যি ৰসৰ প্ৰকাশ ঘটিছে তেতিয়াই ই যথাযথ আৰু সাৰ্থক ৰূপত প্ৰকাশ পোৱা দেখা যায়। শঙ্কৰদেৱৰ কাব্যত ৰস প্ৰয়োগৰ বৈবিধ্য আৰু বৈচিত্ৰ্য এনেদৰে পৰিলক্ষিত হয় -

৩.১.৪.১ শৃঙ্গাৰ ৰসৰ প্ৰয়োগ - সৌন্দৰ্য ঃ

ভোজৰাজে 'শৃঙ্গাৰ প্ৰকাশ' নামৰ গ্ৰন্থত নৱবিধ ৰসৰ ভিতৰত শৃঙ্গাৰ ৰসকে সৰ্বাধিক

গুৰুত্ব দি মতামত আগবঢ়াইছে। সকলো সাহিত্যতে শৃঙ্গাৰ ৰসে গুৰুত্ব পোৱা দেখা যায়। পূৰ্বৰাগ, অনুৰাগ, সম্ভোগ, বিপ্ৰলম্ভ - শৃংগাৰ ৰসৰ প্ৰকাশক এই চাৰিটা ৰূপ পোৱা যায়। শঙ্কৰদেৱৰ কাব্যত শৃংঙ্গাৰ ৰসৰ প্ৰয়োগৰ প্ৰাচুৰ্য দেখা যায়। শঙ্কৰদেৱৰ *ৰুক্মিণী হৰণ কাব্য, অমৃত মথন, বলিছলন* আৰু *কুৰুক্ষেত্ৰ কাব্যত* শৃঙ্গাৰ ৰসৰ বিশেষ প্ৰকাশ ঘটা দেখা যায়। শঙ্কৰদেৱৰ সৰ্বাধিক জনপ্ৰিয় কাব্য *ৰুক্মিণী হৰণত* ৰুক্মিণী-কৃষ্ণৰ প্ৰেমিক-প্ৰেমিকাৰ পৰা পতি-পত্নীলৈ উত্তৰণৰ পথত বিপ্ৰলম্ভ আৰু সম্ভোগ শৃঙ্গাৰ দুয়োটা ৰসৰে প্ৰকাশ ঘটা দেখা যায়।

কৃষ্ণক চিন্তোহো মঞি বৰ হাবিয়াস
কৃষ্ণে মোক বিহা কৰিৱন্ত অভিলাষ।। (ৰুক্মিণী হৰণ ৮৬)

কৃষ্ণৰ প্ৰতি থকা হাবিয়াস, কৃষ্ণক লৈ থকা অভিলাষেৰে কৃষ্ণৰ প্ৰতি ৰুক্মিণীৰ প্ৰেমৰ প্ৰকাশ ঘটে। একেদৰেই বেদনিধিৰ মুখেৰে ৰুক্মিনীৰ বতৰা পাই কৃষ্ণইও কৈ উঠিল -

যৈসানি শুনিলো ৰূপ-গুণ ৰুক্মিণীৰ
সেহি দিন হন্তে মোৰ চিত নুহি থিৰ
নাহি সুখ শান্তি মোৰ নুৰুয়ে ভাত
উগুল থুগুল নিদ্ৰা নাসয় শয্যাত।। (ৰুক্মিণী হৰণ ১৪৪)

ৰুক্মিণী হৰণ কাব্যত এনেদৰে নায়ক-নায়িকাৰ পৰস্পৰ অদৰ্শনতে ওপজা শৃঙ্গাৰ ৰসে পূৰ্ণতা পাইছে পৰৱৰ্তী সময়ত এইখিনি বৰ্ণনাৰ মাজেৰে -

নানা উপবনে বিবিধ উদ্যানে
ক্ৰীড়িলা ৰুক্মিণীৰ সঙ্গে
যেন কৈলাসতে পাৰ্ব্বতী সহিতে
শঙ্কৰে ক্ৰীড়ান্ত ৰঙ্গে।।
কৃষ্ণে মনোৰথ পুৰিলা সমস্ত
ৰুক্মিণীক ধৰি কোলে।
দৃঢ় আলিঙ্গনে বদন চুম্বনে
কৰিল সুৰত ভোলে।। (ৰুক্মিণী হৰণ, ৭৯)

এনেদৰে কৃষ্ণ-ৰুক্মিণীৰ পৰস্পৰৰ অদৰ্শনতে ওপজা প্ৰেম (পূৰ্বৰাগ, বিপ্ৰলম্ভ শৃঙ্গাৰ) জৰাসন্ধ, শিশুপাল, ৰুক্মবীৰ আদি বিভিন্ন প্ৰতিকবন্ধকতা অতিক্ৰম কৰি শেষত "তোমাৰেসে জী জমাই তোমাৰেসে ঘৰ" -দৈৱকী, জ্যেষ্ঠজনৰ আশীৰ্বাদেৰে পতি-পত্নীৰ সম্পৰ্কত বান্ধ খাই সম্ভোগ শৃঙ্গাৰসৰ উৎকৃষ্ট নিদৰ্শন হৈ পৰে। "কাব্যখনৰ অঙ্গীৰস ভক্তিৰ প্ৰধান পোষক শৃঙ্গাৰে পুৰ্ব্বৰাগ, অনুৰাগ, বিচ্ছেদৰ আশংকা, পুনৰ্মিলন আৰু সম্ভোগৰ দ্বাৰা পূৰ্ণাঙ্গতা লাভ কৰিছে। বীৰ, ৰৌদ্ৰ, ভয়ানক, কৰুণ, হাস্য আদি বিবিধ ৰসেও মূলৰসটোৰ পুষ্টি সাধন কৰিছে।"[১০]

একেদৰে *অমৃত-মথন*ত শিৱৰ বিষ্ণুৱ মোহিনীৰূপ দৰ্শন বৰ্ণনাৰ অংশত শৃঙ্গাৰ ৰসৰ চূড়ান্ত প্ৰকাশ ঘটা দেখা যায়।

পাশ চাপা দেও চুমা কি কৰিবে পাৰে উমা
শুনা প্ৰাণেশ্বৰী মোৰ বাক।
মদনে তাপিত মন নাহি কিছু শ্ৰুতি জ্ঞান
পাসৰিলা কাযতে উমাক।।

(অমৃত মথন, ৬৭৬)

"চক্ষু কমলৰ পাখিৰে" অলপ হাসি মাৰি কণ্ঠৰ সাতসৰি লৰাই, কাষ পিঠি দৰশান্ত কৰি শৰীৰৰ লাসৱেশ কৰি থকা মোহিনীক "দেখি শম্ভু অতি ভৈলা ভোল।" এনেদৰে শৰীৰৰ ৰূপৰ বৰ্ণনাৰে শৃঙ্গাৰ ৰস উদ্ৰেক কৰি শিৱৰ দৰে মহাযোগীৰো ধ্যান ভঙ্গ কৰাৰ বৰ্ণনা আছে *অমৃত-মথন* কাব্যত। *অমৃত-মথন* কাব্যৰ শিৱৰ মাজেদিয়ে শঙ্কৰদেৱে শৃঙ্গাৰৰস আটাইতকৈ বেছিকৈ প্ৰকাশ কৰিছে -

প্ৰাণ যায় শঙ্কৰৰ কাম উতপাতে।
মহাবেগে খোপাত ধৰিলা বামহাতে।।
ৰহ প্ৰাণেশ্বৰী বুলি কৰি আলিঙ্গন।
মহা কাম ভোলে দিলা মুখত চুম্বন।। (অমৃত মথন, ৬৮৫)

১০ কেশদা মহন্ত, *কাব্যতত্ত্বৰ দৃষ্টিৰে শঙ্কৰদেৱৰ কাব্য*, পৃ.৩৬

মদনৰ পীড়াত এৰিলা নৰে লাজ।
খেদিয়া ফুৰন্ত আশ্ৰমৰ মাজে মাজ।। ৭০৩

আউল জাউল হুয়া চক্ষু ঢাকে জটে
বিকলে খেদন্ত হৰে হুয়া উলঙ্গতে।। (অমৃত মথন, ৭০৪)

সুন্দৰী ৰমণীৰ মোহত পৰি নিজ পত্নী পাৰ্ব্বতীক "তোমাৰেসে কৰি দিবো চেড়ী।।" বুলি ক'ব পৰাকৈ *অমৃত মথন*ত শিৱৰ মাজেদি শৃঙ্গাৰ ৰসে সৃষ্টি কৰা বিকলতা প্ৰকাশ পাইছে। "উলঙ্গ" হৈ মোহিনীৰ পিছে পিছে ঘূৰিলেও, শিৱৰ মাজেদি শৃঙ্গাৰ ৰসৰ উৎকট প্ৰকাশ ঘটিলেও *অমৃত মথন*ৰ শিৱৰ মোহিনীৰ ৰূপ দৰ্শনৰ পৰৱৰ্তী অংশৰ বৰ্ণনা কিন্তু অশ্লীলতাৰ দোষত দোষগ্ৰস্ত নহয়। কিয়নো ৰচকৰ উদ্দেশ্যৰ ওপৰতহে নিৰ্ভৰ কৰে সাহিত্যৰ অশ্লীলতাৰ প্ৰসঙ্গ। কাব্য-কাহিনীৰ মূল উদ্দেশ্যৰ খাতিৰত যদি অশ্লীল যেন লগা বৰ্ণনা কৰিব লগা হয় তেতিয়া সি অশ্লীল সাহিত্য হ'ব নোৱাৰে। সেই অৰ্থতে বিষ্ণুৰ মোহিনীৰূপৰ (অমৃত মথনৰ) এই নিৰ্দিষ্ট অংশ "অশ্লীলতাৰ"[১১] পৰা বহু দূৰৈত অৱস্থান কৰে।

একেদৰে *হৰিশ্চন্দ্ৰ উপাখ্যান, বলিছলন, কুৰুক্ষেত্ৰ কাব্য* আদিত পোনপটীয়াকৈ শাৰীৰিক বৰ্ণনাৰে শৃঙ্গাৰ ৰসৰ প্ৰকাশ ঘটা দেখা নাযায় যদিও হৰিশ্চন্দ্ৰ শৈব্যাৰ দাম্পত্য জীৱনত পৰস্পৰৰ প্ৰতি থকা সন্মান, বুজাবুজিৰ বৰ্ণনা দেখা যায়। পত্নীক -

হৰি হৰি প্ৰাণেশ্বৰী   আপদৰ সইতৰি
মোহোৰ কণ্ঠৰ হেমহাৰ।
কোনসতে মোক এৰি   থাকো মই প্ৰাণ ধৰি
মুখ্য প্ৰাণ তইসি আমাৰ।।

১১ নৰ-নাৰীৰ দেহ বা যৌনজীৱনৰ নগ্ন বৰ্ণনাক লক্ষ্য হিচাপে (End) সাহিত্যত স্থান দিলেহে সি অশ্লীল আৰু দোষনীয় হয়। জীৱন বা কলাৰ মহৎ আদৰ্শ আৰু সৌন্দৰ্য প্ৰতিপাদনৰ প্ৰয়োজনত উপায় (means) হিচাবে তেনে বৰ্ণনাৰ আশ্ৰয় ল'লে সি অশ্লীল বুলি বিবেচিত হোৱা উচিৎ নহয় - হোমেন বৰগোহাঞি, 'সাহিত্যত অশ্লীলতা', কৰবী হাজৰিকাৰ *সাহিত্যৰ স্বৰূপ*, পৃ.৫১

সুন্দৰ সৰস মুখ দেখিলো পাহৰো দুখ

জীয়ো সমুদায় দেখি যাক।

চাণ্ডালতো ভৈলো ধিক প্ৰাণ ফুটি নযাই কিক

বিকিবোহো হেনয় ভাৰ্য্যাক।।

(হৰিশ্চন্দ্ৰ উপাখ্যান, ২৭৮)

প্ৰাণেশ্বৰী, সইতৰি, কণ্ঠৰ হেমহাৰ, নিজৰ প্ৰাণ বুলি অভিহিত কৰি যাৰ মুখ দেখি জীয়াই থাকো বুলি কোৱা হৰিশ্চন্দ্ৰৰ এইযাৰ উক্তিক দাম্পত্য প্ৰেমৰ সাৰ্থক প্ৰকাশ বুলিব পাৰি।

একেদৰে *বলিছলন*ত বলি পত্নী "বিন্ধ্যাৱলীৰ দ্বাৰা বামনৰ স্তুতি" অংশত পতি বলিৰ দুৰ্দশাৰ সামান্যতম হ'লেও উপশমৰ ক্ষেত্ৰত পত্নী বিন্ধ্যাৱলীৰ ভূমিকাৰ বৰ্ণনাৰে শঙ্কৰদেৱে দাম্পত্য প্ৰেমৰ উজ্জ্বল স্বাক্ষৰ দাঙি ধৰা দেখা যায় -

বিন্ধ্যাৱলী মহাসতী দেখি হেন বিসঙ্গতি

শোকশেলে হৃদয় বিদাৰে।

স্বামীৰ দেখিয়া শাস্তি যেন প্ৰাণ ফুটে আতি

নেত্ৰৰ লোতক পৰে ধাৰে।।

(বলিছলন, ১২০৯)

স্বামীৰ শাস্তি দেখি প্ৰাণফুটি যোৱা, নেত্ৰৰ ধাৰেৰে লোতক পৰা, শোকশেলত হৃদয় বিদীৰ্ণ হোৱা আদি বৰ্ণনাৰ মাজেৰে শৃঙ্গাৰ ৰসেই অন্তঃসলিলা ফল্গুৰ দৰে প্ৰৱহমান হৈ আছে।

কুৰুক্ষেত্ৰ কাব্যৰ ক্ষেত্ৰত দেখা যায় - দ্ৰৌপদীৰ জৰিয়তে কুৰুক্ষেত্ৰত সমবেত নাৰীসকলে কৃষ্ণ আৰু অষ্টমহিষীৰ সম্পৰ্কৰ পুনঃ স্মৰণৰ বৰ্ণনাৰ মাজেৰে শৃঙ্গাৰ ৰসযুক্ত প্ৰেমৰ বৰ্ণনাই পোৱা যায়।

জন্মে জন্মে হুইবো তান গৃহ সেৱকিনী

এতেকে বোলন্তে যত কৃষ্ণৰ গৃহিনী।

উপজিল প্ৰেম ঝৰে লোতক নয়নে।

নিশৱদ ভৈলন্ত কৃষ্ণক ধৰি মনে।। (কুৰুক্ষেত্ৰ কাব্য, ৩৩৬)

অৱশ্যে অজামিল উপাখ্যানত শৃঙ্গাৰ ৰসৰ কিছু ব্যতিক্ৰমী প্ৰকাশ দেখিবলৈ পোৱা যায়। অজামিল উপাখ্যান কাব্যখনত অসুন্দৰতাৰ বৰ্ণনাৰে সুন্দৰৰ সন্ধানেই কবিৰ উদ্দেশ্য। সেই অৰ্থতেই কাব্যখনত অজামিলৰ বেশ্যা নাৰীৰ সৈতে সম্পৰ্কৰ বৰ্ণনাত শৃঙ্গাৰ ৰসাভাসৰ প্ৰকাশ দেখা যায় এনেদৰে -

চাইলা পাছে চক্ষু মেলি পুৰুষেকে কৰে কেলি
বেশ্যা সমন্বিতে মহাৰঙ্গে।
মদ্যপানে হুয়া মত্ত শৃঙ্গাৰৰ ভাৰ যত
সুন্দৰী দৰশে ধ্ৰুৰ ভঙ্গে।।
শিথিল কটিৰ বস্ত্ৰ প্ৰহাৰে কটাক্ষ অস্ত্ৰ
হাসি গাৱে সুললিত গীত।।
ৰমনী এৰিয়া ব্ৰীড়া কতো কৰে কাম ক্ৰীড়া
সিটো পুৰুষৰ ৰঞ্জি চিত্ত।।
ভোলস হুয়া কাম সুখে সিটো কামিনীৰ মুখে
দেই ধৰি পুৰুষে চুম্বন।
কুঙ্কুমে লেপিত দুই বাহু মেলি মোহ হুই
ঘনে ঘনে কৰে আলিঙ্গন।। (অজামিল উপাখ্যান, ১৪৭)

এনেদৰে শঙ্কৰদেৱৰ কাব্যত পতি-পত্নীৰ মাজত (হৰিশ্চন্দ্ৰ-শৈব্যা, বলি-বিন্ধ্যাৱলী, কৃষ্ণ-অষ্টমহিষী), প্ৰেমিক-প্ৰেমিকাৰ মাজত (কৃষ্ণ-ৰুক্মিণী) আৰু বিবাহবহিৰ্ভূত সম্পৰ্ক অজামিল-বেশ্যা আকৌ কেতিয়াবা শিৱ-মোহিনীৰ মাজৰ অগতানুগতিক সম্পৰ্কৰ মাজত শৃঙ্গাৰ ৰসৰ প্ৰকাশ ঘটা দেখা যায়।

৩.১.৪.২. বীৰ ৰসৰ প্ৰয়োগ - সৌন্দৰ্য ঃ

শঙ্কৰদেৱৰ জীৱনৰ প্ৰথমখন কাব্য হৰিশ্চন্দ্ৰ উপাখ্যানত বীৰ ৰস আৰু তাৰ অন্তৰ্গত দানবীৰ, সত্যবীৰ, ক্ষমাবীৰ, পাণ্ডিত্যবীৰ আদিৰ ৰসৰ প্ৰকাশ দেখা যায়।

বিশ্বামিত্ৰ আৰু বশিষ্ঠৰ বক-শৰালি ৰূপী যুদ্ধৰ বীৰত্বৰ বৰ্ণনাৰে বীৰৰসাভাসৰ প্ৰকাশ ঘটা দেখা যায় এনেদৰে -

কামোৰা কামুৰি কৰৈ ঠোঁটে ঠোঁটে ভিৰি।
আঞ্জোৰা আঞ্জুৰি দুইৰো মাংস যায় ছিৰি। ৫৮৮

শৰীৰৰ তেজ নদী যেন বহি যায়।
তথাপিতো দুয়োকো দুই এৰাএৰি নাই।।

হৰিশ্চন্দ্ৰ উপাখ্যানত ধৰ্মবীৰ ৰসৰ অভিব্যক্তি এনেকুৱা -

বিঘ্নিক শঙ্কায়ে নুপুজিবো হৃষীকেশ
ওকনিক ভয়ে কোনে মুণ্ডি আছে কেশ
বশিষ্ঠ লৈলন্ত আনো ঋষিত সন্মতি
গনেশক এৰি পুজিলন্ত লক্ষ্মীপতি।।

বশিষ্ঠৰ নিদেৰ্শে উদ্দীপিত কৰা হৰিশ্চন্দ্ৰৰ ভক্তিক আলম্বন কৰি ইয়াত ধৰ্মৰ প্ৰসঙ্গত গনেশক এৰি লক্ষ্মীপতিক পূজা কৰাৰ ক্ষেত্ৰত ধৰ্মবীৰ নিষ্পন্ন হৈছে বুলি কেশদা মহন্তই উল্লেখ কৰিছে । সেইদৰে হৰিশ্চন্দ্ৰই প্ৰাণকো "দান" কৰাৰ যি উৎসাহ প্ৰদৰ্শন কৰিছে তাতেই 'দানবীৰ' ৰসৰ প্ৰকাশ ঘটিছে।

দানবীৰ ৰসৰ সূক্ষ্ম উদাহৰণ দাঙি ধৰিব পাৰি হৰিচন্দ্ৰ উপাখ্যান কাব্যৰ হৰিশ্চন্দ্ৰই বিশ্বামিত্ৰক অযোধ্যা নগৰকে আদি কৰি সৰ্বস্ব দান কৰাৰ প্ৰসঙ্গত এজন ঋষিক "সত্বৰে বুলিয়ো মোত কিবা দান লাগে" বুলি দান কৰিব পৰা সম্পত্তিৰ যিখন তালিকা হৰিশ্চন্দ্ৰই দাঙি ধৰিলে, সিমান খিনি দানৰে নিজৰ বীৰত্ব প্ৰকাশ কৰি দানবীৰ ৰসৰ উদাহৰণ দাঙি ধৰিছিল এনেদৰে -

কিবা ৰত্ন ৰজতৰ আলেখ্য ভাণ্ডাৰ।
কিবা দণ্ডপাত ৰাজলক্ষ্মী অলংকাৰ।।
কিবা গজ বাজী আৰো অযোধ্যা নগৰ।
কিবা লাগে দেঞ আপুনাৰে কলেৱৰ।। ৮৮

আছে মহাশান্তী শৈব্যা প্ৰিয় পটেশ্বৰী।
ৰোহিতাশ্ব পুত্ৰ মোৰ প্ৰাণ এড়ে সবি।।

যদি খোজা মোত তাকো দেঞও দান।

নুহি তেবে বোলা দেঞও আপুনাৰ প্ৰাণ।। (হৰিশ্চন্দ্ৰ উপাখ্যান, ৮৯)

ৰুক্মিণী হৰণ কাব্যখনত যুদ্ধ বৰ্ণনাই এক বুজন অংশ অধিকাৰ কৰিছে। সেই কাৰণে ইয়াৰ যুদ্ধবীৰ ৰসৰ ভূমিকা গুৰুত্বপূৰ্ণ।

শিশুপালে ‘বিবাহৰ নাৰী’ গৰাকী কৃষ্ণই হৰণ কৰি লৈ যাওঁতে লম্ফ জম্ফ কৰি যদুবংশক পৰা গালিৰ মাজেদি যুদ্ধবীৰ ৰসৰ প্ৰকাশ ঘটিছে এনেদৰে -

শুন ৰে যাদৱা কালকূটা অনাচাৰী।

চুৰ কৰি নেস মোৰ বিবাহৰ নাৰী।।

স্বভাৱতে যদুবংশ স্ত্ৰীত লম্পট।

সবাৰে উপৰে কৃষ্ণ তই ভৈলি ঘট।। (ৰুক্মিণী হৰণ, ৩৪৫)

অমৃত মথন কাব্যত দেৱতা আৰু দানৱৰ ঘোৰতৰ যুদ্ধ, শঙ্কৰ-জম্ভাসুৰৰ যুদ্ধ, শুম্ভ-নিশুম্ভৰ লগত ভদ্ৰকালীৰ যুদ্ধ, ইন্দ্ৰ-বলিৰ যুদ্ধ আদিৰ যুদ্ধৰ বৰ্ণনাৰে বীৰ ৰসৰ প্ৰকাশ ঘটা দেখা যায়।

বাসৱে বোলন্ত অৰে লটক অসুৰ।

ক্ষণিতেক ৰহ তোৰ দৰ্প কৰো চূৰ।।

এহি বুলি অৰ্দ্ধচন্দ্ৰ হানি সুৰপতি

হাততে কাটিলা তাৰ দাৰুন শকতি।। (অমৃত মথন, ৪৮৯)

কাটে হয় হস্তী ৰথ দ্বজ ছত্ৰ দণ্ড।

কাৰো উৰু কৰ শিৰে কৰে খণ্ড খণ্ড।। ৪৫৮

কাৰো আণ্ঠু কণ্ঠ তণ্ঠ কাটি ছিণ্ডে মুণ্ড

কাৰো কাণ্ড কণ্ড পৰি ভোসাৰয় চুণ্ড

কাৰো হাড় যাৰ বিহবাৰে বৰ টানে।

কবচ কুণ্ডল কিৰীটিয়ো কাটে বানে।। (অমৃত মথন, ৪৫৯)

*বলিছলন*ত বলিৰ বীৰত্ব প্ৰকাশক যুদ্ধ আৰু কুৰুক্ষেত্ৰত অষ্টমহিষীৰ স্মৃতি ৰোমন্থন অংশত জাম্বৱন্ত-শ্ৰীকৃষ্ণৰ যুদ্ধৰ বৰ্ণনাত বীৰ ৰসৰ প্ৰকাশ ঘটিছে।

৩.১.৪.৩. ৰৌদ্ৰ ৰসৰ প্ৰয়োগ - সৌন্দৰ্য ঃ

"বৈৰী আদিক আলম্বন কৰি ক্ৰোধভাৰ বৈৰিকৃত অপকাৰ আদিৰ দ্বাৰা উদ্দীপিত, তৰ্জন, গৰ্জন, কম্পন আদিৰ দ্বাৰা অনুভাৱিত আৰু গৰ্ব, অমৰ্ষ (অসহিষ্ণুতা) আদিৰ দ্বাৰা সঞ্চাৰিত হৈ সামাজিকৰ দ্বাৰা আস্বাদিত হয়, তাকে ৰৌদ্ৰৰস বোলে। বীৰ ৰস আৰু ৰৌদ্ৰ ৰস অঙ্গাঙ্গী ভাৱে থাকে।"[১২] *হৰিশ্চন্দ্ৰ উপাখ্যান*ত বশিষ্ঠ বিশ্বামিত্ৰৰ বক-শৰালিৰূপী যুদ্ধৰ সময়ত ৰৌদ্ৰ ৰসৰ প্ৰকাশ ঘটিছে এনেদৰে -

শুন অৰে বিশ্বামিত্ৰ অধম দুৰ্জ্জন
মোৰ যজমানক কৰিলি তই ছন্ন
বৃত্তিচ্ছেদ কৰিলি প্ৰাণত দিলি হাত
থাক ব্ৰহ্মদণ্ডে কৰো তোৰ কজপাত। ৫৩১

শুনি বিশ্বামিত্ৰ ক্ৰোধে জাজল্য সমান
চক্ষুপকাই বিশ্বামিত্ৰক দিলা সমিধান।। (হৰিশ্চন্দ্ৰ উপাখ্যান)

ইয়াৰ পিছত বিশ্বামিত্ৰ-বশিষ্ঠৰ দণ্ড, কমণ্ডলু হাতে হাত, বগৰা বগৰি কৰি যুদ্ধ কৰি নিজৰ বীৰত্ব প্ৰদৰ্শনেৰে ৰৌদ্ৰৰসৰ অঙ্গাঙ্গীৰস বীৰ ৰসৰ প্ৰদৰ্শন আৰম্ভ কৰিছিল।

ৰুক্মিণী হৰণ কাব্যতো "বনস্থলীত শ্ৰীকৃষ্ণ আৰু ৰুক্মীৰ বোলা-বুলি" অংশত শ্ৰীকৃষ্ণই ৰুক্মবীৰক কৰা তৰ্জন-গৰ্জনৰ মাজেৰে ৰৌদ্ৰৰসেৰে প্ৰকাশ ঘটিছে। অসমীয়া লোক কথাৰ ব্যৱহাৰেৰে কৃষ্ণই ৰুক্মবীৰক কৰা ভৎসনাৰ মাজত ৰৌদ্ৰৰসৰ সুপ্ৰয়োগে কাব্যখনত মনোহাৰীত্ব আনি দিছে। শ্ৰীকৃষ্ণই ৰুক্মবীৰক কৈছে -

১২ ইন্দিৰা শইকীয়া, *বৈষ্ণৱ সাহিত্যৰ অধ্যয়ন*, বাণী মন্দিৰ, ২০০৫, গুৱাহাটী, পৃ.৪৪

তোৰ নিন্দা বাণী　　আমাক নপাৰে
শুন অনাচাৰ বাম।
যতেক কুকুৰে　　কামোৰ মাৰয়
সবেও আঠুৰ নাম।।
মোক গালি পাৰি　　কত যশ পাইলি
দেশ শুনি চাউ চিতে
মোতেসে আগল　　যুদ্ধত পাগল
জানিলো তোক ইঙ্গিতে।।　　(ৰুক্মিণী হৰণ, ৫১৯)

শঙ্কৰদেৱৰ বাকী কাব্যসমূহতো বীৰ ৰসৰ লগতে অঙ্গাঙ্গী ৰস হিচাপে ৰৌদ্ৰ ৰসৰ প্ৰকাশ ঘটা দেখা যায়।

৩.১.৪.৪ কৰুণ ৰসৰ প্ৰয়োগ-সৌন্দৰ্য ঃ

ভৱভূতিয়ে *উত্তৰৰাম চৰিত*ত 'একো ৰস কৰুণমেৱ' বুলি সাহিত্যত কৰুণ ৰসৰ গুৰুত্বৰ কথা উল্লেখ কৰিছে। একেদৰে বাণীকান্ত কাকতিয়েও "সাহিত্যত কৰুণ ৰস" শীৰ্ষক প্ৰবন্ধত মানুহৰ জীৱন কাৰুণ্যৰে নামান্তৰ বুলি কৈ সাহিত্যই কাৰুণ্যৰে ভৰা জীৱনৰ বতৰা দিয়ে বুলি বহুত উদাহৰণৰে নিজৰ যুক্তি প্ৰবলভাৱে দাঙি ধৰিছে। শঙ্কৰদেৱৰ সাহিত্যতো বিশেষকৈ কাব্যসমূহতো কাৰুণ্যৰ এটি সোঁত অন্তঃসলিলা ফল্গুৰ দৰে প্ৰৱাহিত হোৱা দেখা যায়। *হৰিশ্চন্দ্ৰ উপাখ্যান* কাব্যত পত্নী-পুত্ৰ পৰিৱেষ্টিত অযোধ্যাৰাজ হৰিশ্চন্দ্ৰৰ কৰ্পদক শূণ্য হৈ মৃত সন্তানক খৰি দিবলৈ অনা ৰোহিতাশ্বৰ মাতৃ শৈব্যাক চিনি পাব নোৱৰা অৱস্থাৰ বৰ্ণনাই পাঠকক কৰুণ ৰসত ডুবাই ৰাখে। *ৰুক্মিণী হৰণ*তো একমাত্ৰ বৰ ককায়েক ৰুক্মীৰ শিশুপাললৈ ৰুক্মিণীক বিয়া দিবলৈ মন থকাৰ পৰিণতিত সংঘটিত যুদ্ধই ৰুক্মিণীৰ দৰে এচাম পাঠককো শোকৰ সাগৰত ডুবাই ৰাখে। ৰুক্মীৰ মৃত্যু হোৱা বুলি বাতৰি (ভুল বাতৰি) পোৱাৰ পাছত শশীপ্ৰভাৰ বিলাপ কৰুণ ৰসৰেই প্ৰকাশ।

অনন্তৰে মহাদই　　ক্ষণেক চেতনা পাই
দীৰ্ঘৰাৱে অনেক কান্দিল।

পুত্ৰ শোকে দহে গাৱ   হিয়া হানে মুষ্ঠি ঘাৱ

হা মোৰ হাবিয়াস পুতাই।

কৃষ্ণ জমাই যমদূত   হুয়া তোক নিলে কূত

মোক শোক সাগৰে পেলাই।।

(ৰুক্মিণী হৰণ)

মাকৰ মমতা, সন্তান হেৰুওৱাৰ যন্ত্ৰণা প্ৰকাশক এই কেইফাকিয়ে কৰুণ ৰসকেই প্ৰকাশ কৰিছে।

অমৃত মথন কাব্যত দৈত্যৰাজ বলিৰ মৃত্যু হোৱাত পিতৃ বিৰোচন আৰু পত্নীৰ বিলাপৰ বৰ্ণনা মৰ্মস্পৰ্শী।

বিৰোচনৰ বিলাপ অংশৰ বৰ্ণনা এনেধৰণৰ -

হা পুত্ৰধন বলি   মোক এৰি কৈক গলি

তোৰ শোকানলে সাৰে পুৰি

হৰুৱাইলো পুত্ৰবৰ   কাক লৈয়া যাইবো ঘৰ

মোহোৰ সমূলি গৈল বুৰি।

(অমৃত মথন)

বিন্ধ্যাৱলীৰ বিননিৰ বৰ্ণনা কৰিছে একেদৰে -

হৃদয়ত মাৰে মুষ্ঠি   চাত চাত পৰেক উঠি

যেন ভৈল বিহ্বল স্বভাৱ।

মোক এৰি নিমাখিতী   কৈক গৈলা প্ৰাণপতি

এহি বুলি কৰে আৰ্তৰাৱ।।

অমৃত মথন কাব্যত মৃত্যুৰ বৰ্ণনাৰে যেনেদৰে কবিয়ে কৰুণৰসৰ সুন্দৰ প্ৰকাশ ঘটাইছে, তেনেদৰে বলি ছলনত দেৱমাতা অদিতিৰ সন্তানৰ প্ৰতি মৰমৰ মাজেদিও বাৎসল্য ৰসতকৈ কৰুণৰসৰহে অধিক প্ৰকাশ ঘটাইছে। কিয়নো দৈত্যৰ দ্বাৰা নিগৃহীত হৈ ইন্দ্ৰ, শচী আদি দেৱতাগনৰ বিলাই বিপত্তিয়ে মাতৃৰ মনত দুঃচিন্তাৰ সৃষ্টি কৰিছিল, আনকি সন্তানৰ দুখৰ উপশম ঘটাৰ উপায় নেদেখি কালকূট বিষ পান

কৰি মৰি যাবলৈ মন যোৱাৰ যি বৰ্ণনা শঙ্কৰ কবিয়ে দাঙি ধৰিছে তাৰ জৰিয়তে মমতাময়ী মাতৃৰ অন্তৰ সন্তানৰ দুৰ্যোগৰ সময়ত কিমান শোকে ভৰা হ'ব পাৰে তাৰে সাক্ষ্য দাঙি ধৰিছে।

হা পুত্ৰগন মোৰ বংশৰ উদ্ধাৰ
বিপদ নদীত পৰি নপালাইহা পাৰ
তোমাৰ এতেক দুখ দেখি কেনে জীও
হেন মনে কৰে কালকূট বিষ পিও
এহি বুলি অদিতি কৰন্ত হৃদি খেদ
ৰাত্ৰি দিনে নেত্ৰৰ লোতক নাহি ছেদ। (বলি ছলন)

*অজামিল উপাখ্যান*ত অনুতপ্ত অজামিলৰ উক্তি কৰুণ ৰস সিক্ত। অৱশ্যে অজামিলৰ নিজৰ দোষৰ বাবে দুখী হোৱাৰ কাৰুণ্য হৰিশ্চন্দ্ৰ, বিৰোচন, অদিতি আদিৰ শোকৰ লগত একে যেন নালাগে। অজামিলৰ কাৰুণ্যৰ বাবে অজামিল পোনপটিয়া ভাবে জগৰীয়া কিন্তু বাকীকেইখন কাব্যৰ চৰিত্ৰৰ কাৰুণ্যৰ বাবে কৰুণ ৰস প্ৰকাশক চৰিত্ৰবোৰ দায়ী নহয়। ঘটনাক্ৰমৰ পৰিৱৰ্তনে চৰিত্ৰৰ জীৱনলৈ কাৰুণ্যৰ ঢল নমাই আনিছে। *কুৰুক্ষেত্ৰ* কাব্যত কাৰুণ্য মিলনৰ আনন্দমিশ্ৰিত। বহুবছৰৰ মূৰত কৃষ্ণক ঘূৰাই পাই নন্দ-যশোদাৰ আনন্দমিশ্ৰিত কাৰুণ্য। শেষত বিচ্ছেদৰ সময়ৰ চকুলোৱে কাৰুণ্য কঢ়িয়াই আনিলেও সেয়া প্ৰাপ্তিৰ চকুপানীহে। কিয়নো -

মহাস্নেহে স্ৰৱে স্তন হৰিষিত তনু মন
এহি মোৰ প্ৰাণপুত্ৰ বুলি
আথেবেথে ধৰি গ'লে ভিজাইল নেত্ৰৰ জলে
সাৰটি ধৰিয়া বুকে তুলি।।

(কুৰুক্ষেত্ৰ কাব্য, ৫৯০)

"ভিজাইল নেত্ৰৰ জলে" যদিও কাৰুণ্যকে সূচাই তথাপিও স্নেহৰ প্ৰাণপুত্ৰক আথেবেথে সাৰটি ধৰাৰ আনন্দও একেলগে জড়িত হৈ আছে। ই এক প্ৰকাৰৰ বিৰল সৌন্দৰ্যৰ প্ৰকাশ বা প্ৰয়োগ।

যশোদা কৃষ্ণক থাকে প্ৰবোধি দিনত
নেৰন্ত গলত বান্ধি পৰম স্নেহত

বালক চৰিত্ৰচয় সুমৰি সুমৰি

কান্দে দুয়ো প্ৰাণীৰ লোতক পৰৈ ঝৰি। (কুৰুক্ষেত্ৰ কাব্য, ৪৩০)

'কতবা জন্মৰ মহাভাগৰ' অন্তত "তুমি হেন মহন্তক পালো লগ" বুলি এদিন দুদিনকৈ 'তিনিমাস' কাল কুৰুক্ষেত্ৰত নন্দ-বসুদেৱ আদি সকলোৱে কটোৱাৰ অন্তত স্বস্থানে প্ৰত্যাৱৰ্ত্তনৰ সময়ত "জানা ধন জন বন্ধু সৱে অশ্বাশ্বত।" (কুৰুক্ষেত্ৰ কাব্য, ৪১৫) বুলি পৰম সত্যক চিনি পালে।

৩.১.৪.৫. হাস্যৰসৰ প্ৰকাশ-সৌন্দৰ্য ঃ

"বিকৃত বেশভূষা, বিকৃত আকাৰ, অসংলগ্ন বচন বা অসংলগ্ন কথা শুনি চিত্তৰ একপ্ৰকাৰ আন্দোলিত অৱস্থা হয় আৰু হাঁহি উঠে। এই অৱস্থাটেই হ'ল হাস নামৰ স্থায়ীভাৱ। ই বিকৃত বেশভূষা বা সাজপাৰক আলম্বন কৰি, বেশ আদিৰ বিকৃত বা অসামঞ্জস্যৰ দ্বাৰা উদ্দীপিত, দাঁত নিকটোৱা আদিৰ দ্বাৰা অনুভাৱিক, শ্ৰম-আলস্য আদিৰ দ্বাৰা সঞ্চাৰিত হৈ ৰসসিক্ত হৈ উঠিলে তাক কোৱা হয় হাস্য ৰস।"[১৩]

ভাগৱত-হৰিবংশ আধাৰিত শঙ্কৰদেৱৰ কাব্যসমূহৰ বিষয়বস্তুৰ গভীৰতা তথা উদ্দেশ্যধৰ্মিতাই হাস্যৰসৰ প্ৰসঙ্গ আঁতৰাই ৰাখিব যেন লাগিলেও বাস্তৱিকতে সমকালীন সমাজ তথা সামাজিকৰ লোক মনোৰঞ্জনৰ উদ্দেশ্য নিহিত থকাৰ বাবে শঙ্কৰদেৱৰ গভীৰ বিষয়ৰ কাব্য সমূহৰ মাজেদিও হাস্যৰসৰ প্ৰকাশ ঘটা দেখা যায়। ৰস প্ৰয়োগৰ সচেতনতাৰ বাবেই শঙ্কৰদেৱৰ কাব্যত হাস্যৰসৰ সুপ্ৰয়োগ ঘটা দেখা যায়। "শঙ্কৰ সাহিত্যত প্ৰয়োগ কৰা হাস্যৰসক দুটা ভাগত ভগাব পাৰি - অৱস্থামূলক আৰু চৰিত্ৰমূলক।"[১৪] চৰিত্ৰই অৱস্থা বা পৰিস্থিতিৰ সৃষ্টি কৰে আৰু পৰিস্থিতিয়ে চৰিত্ৰৰ গতি তথা ভূমিকা নিৰ্ণয় কৰে। গতিকে চৰিত্ৰ আৰু অৱস্থা বা পৰিস্থিতি পৰস্পৰ সম্পৰ্কযুক্ত। সেয়ে শঙ্কৰদেৱৰ কাব্যসমূহত হাস্যৰসৰ সৃষ্টিৰ ক্ষেত্ৰত পৰিস্থিতি আৰু চৰিত্ৰৰ সমানেই সক্ৰিয়তা পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে *হৰিশ্চন্দ্ৰ উপাখ্যান* কাব্যত 'দক্ষিণাদান' অংশত ব্ৰাহ্মণৰ অতিভোজন আৰু দক্ষিণা নিবৰ বেলিকা ব্ৰাহ্মণৰ অৱস্থাৰ বৰ্ণনাই হাস্যৰস উদ্ৰেক কৰে।

১৩ যতীন বৰা, *ছন্দ, ধ্বনি আৰু অলংকাৰ পৰিচয়*, পৃ.১০৪-১০৫

১৪ ৰামমল ঠাকুৰীয়া, *শঙ্কৰ সাহিত্যৰ ৰূপৰেখা*, পৃ.১৭৯

ঘৃত লাডু পৰমান্ন ভুঞ্জি গণ্ডগোল
ঘন ক্ষীৰ খান্তে পেট যেন ভৈল ঢোল।
তথাপিতো বোলন্ত মোক আৰো কিচু লাগে
নাহা নকৰন্ত পেট পেহলাই যেন লাগে।

(হৰিশ্চন্দ্ৰ উপাখ্যান, ৩৫)

খাই খাই ঢোল যেন পেট হোৱা ব্ৰাহ্মণে ঘৰলৈ হৰিশ্চন্দ্ৰৰ দানৰ বস্তু কঢ়িয়াই নিয়াৰ বৰ্ণনা হাস্যৰসাত্মক।

তুলি লৈব নপাৰিয়া লৈযান্ত ঘসাই
শৰীৰৰ বস্ত্ৰ কাটি ডোলাক লগাই।। ৪৩
গোটে গোটে পেড়া কেহো ধৰন্ত সাৰটি
আনে ওচৰক যান্তে লাগে হতাহতি।

(হৰিশ্চন্দ্ৰ উপাখ্যান)

'হৰণ'ৰ দৰে যুদ্ধ-বিগ্ৰহ জড়িত *ৰুক্মিণী হৰণ* কাব্যতো হাস্যৰসৰ প্ৰকাশ ঘটা দেখা যায়। কাব্যখনত প্ৰথমতে বেদনিধি চৰিত্ৰৰ জৰিয়তে হাস্যৰসৰ সঞ্চাৰ হোৱা দেখা যায়। কুণ্ডিন নগৰৰ পৰা দ্বাৰকালৈ ৰুক্মিণীৰ কৃষ্ণৰ প্ৰতি সন্দেশৰ বাৰ্ত্তাবাহী বেদনিধিৰ কৃষ্ণৰ সৈতে ৰুক্মিণীৰ সয়ম্বৰলৈ আগমনৰ সময়ত বেদনিধিৰ অৱস্থাই পাঠকক হাস্যৰসৰ যোগান ধৰে।

আলোল্য ব্ৰাহ্মনজাতি কোমল শৰীৰ
বিষ্ণুৰ ৰথৰ বেগে কেনে হৈবে থিৰ
নকাঢ়ে উশাহ অচেতন বেদনিধি
উসহিল পেট একো নাহি হৃদি সিদ্ধি।

(ৰুক্মিণী হৰণ, ১৫৪)

পেট ফুলা সেই ব্ৰাহ্মণজনে যেতিয়া কয় -

নিচিনোহো তোমাক তোমৰা কোনজন।
কৈৰ হন্তে আসি আছা কোথেৰ ব্ৰাহ্মন। (ৰুক্মিণী হৰণ, ১৫৭)

ৰথৰ বেগত নিজক পাহৰি যোৱা ব্ৰাহ্মণৰ বৰ্ণনা স্বাভাৱিকতে হাস্যৰসাত্মক। সেইদৰে কৃষ্ণৰ নামত "খেৰ নিদিয়া" ৰুক্মবীৰে ভনীয়েকক হৰণ কৰি নিয়া কৃষ্ণৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা কৰি অৱশেষত যেতিয়া কৃষ্ণই "যেন দান্ত ভগা ঢোণ্ডা সাপ" (ৰুক্মিণী হৰণ, ৫৮৬) ৰ দৰে পেলাই থয় তেতিয়া ৰুক্মবীৰলৈ সহানুভূতিৰ পৰিবৰ্তে হাঁহিৰহে উদ্ৰেক হয়।

ভৈলা ৰুক্মী কুমৰ কুমুণ্ডা যেন পুণ্ডা।
চিনিবাক নপাৰি বিকৃতি মুণ্ডা লণ্ডা।। ৫৮৩

কপালতো ৰেখা দিয়া পিন্ধাইলন্ত ফোট।
ৰুক্মীক দেখিয় যেন হুলু পশু গোট।। ৫৮৪

এনেধৰণৰ বিকৃত ৰূপৰ বৰ্ণনাৰে হাস্যৰসৰ যোগান ধৰা দেখা যায়। *অমৃত মথনত* লক্ষ্মীৰ ৰূপ দেখি বিমোহিত হোৱা দেৱাসুৰৰ বৰ্ণনা হাস্যৰসাত্মক - "কাম সাগৰত মৰো হেৰা চৰণত ধৰো আসি মোক কৰা পৰিত্ৰাণ" বুলি লক্ষ্মীক কৰা আকুতিয়ে চৰিত্ৰলৈ সহানুভূতিতকৈ চৰিত্ৰৰ ক্ৰিয়াকলাপত হাস্যৰসৰহে সন্ধান পায়। আনকি মহাদেৱ হেন যোগীৰ কামাতুৰ ৰূপৰ বৰ্ণনা অতিশয় হাস্যৰসোদ্দীপক। 'ৰহ প্ৰানেশ্বৰী' বুলি 'মুখত চুম্বন' দিয়াৰ পাছতো যেতিয়া "বাহুৰ মাজৰ পৰা পৰিলা হুসকি।" ইয়াৰ পাছত হৰ বৈ থাকিব নোৱাৰি যিখিনি কৰিলে বুলি শঙ্কৰদেৱে বৰ্ণনা কৰিলে তাৰ মাজেদি হাস্যৰসৰে প্ৰকাশ ঘটিছে -

দুনাই লৰৰ দিলা বিমুকুত কেশে
পাছত খেদন্ত হৰে উলঙ্গট বেশে। (অমৃত মথন, ৬৮৬)

এনেদৰে শঙ্কৰদেৱে তেওঁৰ কাব্যসমূহৰ মাজেদি কাব্যৰ মূল উদ্দেশ্য ৰক্ষিত হোৱাকৈ হাস্যৰসৰ প্ৰকাশ ঘটাইছে। গভীৰ বিষয়ৰ কাব্য সমূহত হাস্যৰসৰ সুপ্ৰয়োগৰ বাবে সি সাধাৰণ পাঠক শ্ৰোতাৰ বাবে সহজবোধ্য, আকৰ্ষণীয় আৰু উপভোগ্য হৈ পৰিছে।

৩.১.৫ ভক্তিৰসৰ প্ৰয়োগ-সৌন্দৰ্য ঃ

সাহিত্যৰ নৱবিধ ৰসৰ ভিতৰত ভক্তি ৰসৰ অন্তৰ্ভুক্তি কৰা দেখা নাযায় যদিও "বৈষ্ণৱ ভক্তি সম্প্ৰদায়তহে ভক্তিক ৰসৰূপে প্ৰতিষ্ঠা কৰিছে। বোপদেৱে 'মুক্তাফল' গ্ৰন্থত (খ্ৰী. ১৩ শতিকা) বিষ্ণুভক্তৰ

লক্ষণ আৰু প্ৰকাৰ নিৰ্ণয় কৰিবলৈ গৈ ভক্তিৰসেই শৃঙ্গাৰাদি নটা প্ৰকাৰত আস্বাদিত হয় আৰু সেইমতেও ভক্তও ন প্ৰকাৰৰ বুলিছে।"[১৫]

অসমীয়া সাহিত্যত ভক্তিৰস সম্পৰ্কত তাত্ত্বিক আলোচকসকল বুলিলে মনোৰঞ্জন শাস্ত্ৰী, তীৰ্থনাথ শৰ্মা আৰু মুকুন্দ মাধৱ শৰ্মাকেই উল্লেখ কৰিব লাগিব বুলি কেশদা মহন্তই কাব্যতত্ত্বৰ দৃষ্টিৰে শঙ্কৰদেৱৰ কাব্য গ্ৰন্থখনত স্পষ্টভাৱে উল্লেখ কৰিছে। বৈৰাগ্যৰ ফলত নিত্য সনাতন বস্তুৰ প্ৰতি ৰাগেই ভক্তি বুলি উল্লেখ কৰি সাহিত্য বিদ্যা পৰিক্ৰমাত তীৰ্থনাথ শৰ্মাই স্পষ্টভাৱে উল্লেখ কৰিছে - "ভক্তি এই নিৰ্বেদৰে এটা প্ৰকাশ বা ভাৱ।"[১৬] "ভক্তিমূলক কাহিনীৰ বৰ্ণনাৰ পৰা বা ভক্তি উদ্ৰেক কৰিব পৰা আলম্বণ-উদ্দীপন আদিৰ বৰ্ণনা বা অভিনয়ৰ পৰা এই ভক্তিৰস নিৰ্বেদ আস্বাদ্য ৰসৰূপে পৰিণত হ'লে সেই আস্বাদৰূপ ৰসক শান্ত বোলা হয়।"[১৭]

সেইদৰে মনোৰঞ্জন শাস্ত্ৰীয়ে মত আগবঢ়াইছে যে - পুৰণি অসমীয়া বৈষ্ণৱ সাহিত্যত ভগৱদৰতিৰূপ শম স্থায়ীভাৱৰ শান্তৰসেই মূল, প্ৰধান বা অঙ্গীৰস। ভগৱদৰতি ব্যঞ্জিত হোৱাৰ কাৰণে তাকেই ভক্তসকলে ভক্তিৰস বুলিছে।[১৮]

নৱবৈষ্ণৱ ধৰ্মৰ আদৰ্শ প্ৰচাৰৰ উদ্দেশ্য আগত ৰাখি কাব্য চৰ্চা কৰা শঙ্কৰদেৱৰ কাব্যত বিভিন্ন ৰসৰ প্ৰয়োগ দেখা গ'লেও সকলো ৰস গৈ শেষত ভক্তিৰসত নিমজ্জিত হোৱা দেখা যায়। নৱবৈষ্ণৱ ধৰ্মৰ আদৰ্শ অনুসৰিয়েই কৃষ্ণ বা বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰা ঘটনাৰ সমষ্টিত ৰচিত শঙ্কৰদেৱৰ কাব্য সমূহত কৃষ্ণকেই আৰাধ্য দেৱতা ৰূপে দেখুওৱা হৈছে। আৰাধ্য দেৱতা কৃষ্ণৰ মহত্ব, শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাই কাব্যৰ ঘাই উদ্দেশ্য হোৱা বাবেই কাব্যসমূহত সিমানবোৰ ঘটনা সংঘটিত হৈছে সকলোবোৰ কৃষ্ণজড়িত। সেইবাবেই সকলো ৰসেই গৈ কৃষ্ণভক্তি জনিত ভক্তিৰসত সমাহিত হৈছে। *হৰিশ্চন্দ্ৰ উপাখ্যানত* হৰিশ্চন্দ্ৰৰ অচলা ভক্তিৰ বাবেই সকলো বিপদ, বিপৰ্যয়ৰ শেষত স্বৰ্গগমন সম্ভৱ হৈছে, *ৰুক্মিণী হৰণত* কৃষ্ণ দ্বাৰকাৰ পৰা কুণ্ডিল নগৰলৈ অহাৰ মূলতে ৰুক্মিণীৰ কৃষ্ণৰ প্ৰতি

১৫ কেশদা মহন্ত, *কাব্যতত্ত্বৰ দৃষ্টিৰে শঙ্কৰদেৱৰ কাব্য*, পৃ. ৭
১৬ তীৰ্থনাথ শৰ্মা, *সাহিত্য বিদ্যা পৰিক্ৰমা*, পৃ. ১৫৯
১৭ তীৰ্থনাথ শৰ্মা, উল্লিখিত, পৃ. ১৫৯
১৮ কেশদা মহন্ত, পুৰ্ব্বোল্লিখিত, পৃ. ৭

থকা ভক্তি, *অজামিল উপাখ্যানত* অজামিলৰ মুখৰ পৰা নিঃসৃত 'নাৰায়ণ' শব্দই যমদূত-বিষ্ণুদূতৰ মাজত যুক্তি-তৰ্কৰ সৃষ্টিৰে অজামিলৰ স্বৰ্গগমন, *অমৃত-মথনত* সমগ্ৰ ঘটনাই ভক্তিজনিত, বলিছলনত বলিক কৰা ছলনাৰ পাছতো বলিৰ অবিচল ভক্তি, *কুৰুক্ষেত্ৰ* কাব্যৰ সকলো স্মৰণ আলোচনাৰ মূল হ'ল কৃষ্ণ। এনেদৰে দেখা যায় শংকৰদেৱৰ সকলো কাব্যৰ চালিকা শক্তি কৃষ্ণ। গতিকে কৃষ্ণৰ মহাত্ম্য, বীৰত্ব, গৌৰৱৰ বিৱৰণেৰে ভৰি থকা শংকৰদেৱৰ কাব্যসমূহত বিভিন্ন ৰসৰ প্ৰকাশ ঘটিলেও সকলোবোৰ ৰস গৈ ভক্তি ৰসৰহে প্ৰকাশক হৈছেগৈ। অৰ্থাৎ কৃষ্ণ-ৰুক্মবীৰৰ যুদ্ধত যদি বীৰ ৰস প্ৰকাশ পাইছে তেন্তে সেয়াও কৃষ্ণৰ অৰ্থাৎ ভগৱানৰ বীৰত্ব প্ৰকাশকহে। ভগৱানক (কৃষ্ণৰ) ভজনা কৰাৰ উদ্দেশ্যই কাব্যত ভক্তি ৰসৰ সংযোজন ঘটাইছিল। যিহেতু ভজ + ক্তিন্ = ভক্তি। ভগৱান ভজনা কৰা, চিন্তা কৰা, উপাসনা কৰাকে ভক্তি বোলা হয়।

অৱশ্যে শংকৰদেৱৰ কাব্যৰ বিদ্যায়তনিক আলোচনাৰ প্ৰসঙ্গত আধ্যাত্মিকতাৰ দৃষ্টিতকৈ কাব্যতত্ত্বৰ দৃষ্টিৰে অধ্যয়ন কৰিলেহে শংকৰদেৱৰ কবিত্ব, প্ৰতিভাৰ আচল অধ্যয়ন সম্ভৱ হ'ব বুলিব পাৰি। মাধৱদেৱে উল্লেখ কৰি থৈ যোৱা "কীৰিতি গৈয়া বহুদূৰ"[১৯] ৰ কীৰিতিৰ প্ৰকৃত মূল্যায়নো তেতিয়াহে সম্ভৱপৰ হ'ব।

৩.২.০. অলংকাৰ শব্দৰ উৎপত্তি আৰু বিস্তৃতি ঃ

কাব্যক সৌন্দৰ্যশালী কৰি তোলা শক্তিশালী কাৰক সমূহৰ ভিতৰত অলংকাৰ অন্যতম। অলংকাৰ শব্দটোৰ ব্যুৎপত্তি এনেধৰণৰ অলং + কৃ + ঘঞ। অলম্ শব্দৰ অৰ্থ হ'ল পৰ্যাপ্ত, যথেষ্ট আৰু নালাগে। আনটো অৰ্থ হ'ল ভূষণ।

"মানুহৰ অন্তৰত প্ৰকাশৰ বাবে অজস্ৰ কথাই বাট বিচাৰে। সেইকথাবোৰ মনৰ জোখাৰে কৈ উলিওৱা সহজ নহয়। যেনেকৈ ক'বলৈ বিচৰা হয়, ঠিক সেইদৰে কৈ উলিয়াবৰ বাবে কেতিয়াবা অলপ জোৰ দিব লগা হয়, কেতিয়াবা হয়তো কিহবাৰ লগত তুলনা কৰিব লগা হয়। আবেগৰ আতিশয্য, অনুভূতিৰ গভীৰতা আদি নানান কাৰণতো বাক্যবোৰ বিশিষ্ট শব্দ প্ৰয়োগেৰে বিচিত্ৰ হৈ উঠে। এনে

১৯ নগেন শইকীয়া, *বিষয় ঃ শংকৰদেৱ,* পৃ. ২৮

বিচিত্ৰ বাক্যতে সোমাই থাকে অলংকাৰ।"[২০] একে প্ৰসঙ্গতে নৰকান্ত বৰুৱাইও অলংকাৰ সম্পৰ্কীয় সংজ্ঞাও দাঙি ধৰিছে এনেদৰে - "কবি বিলাক ভাষাৰ শিল্পী। গতিকে ভাষাৰ নান্দনিক সম্ভাৱনাখিনি তেওঁলোকে উদঘাটন নকৰাকৈয়ে ব্যৱহাৰ কৰে। কবিয়ে ব্যৱহাৰ কৰা এনে কৌশলবোৰৰেই নাম থোৱা হৈছে অলংকাৰ।"[২১]

" 'অলংকাৰ' শব্দটো বৈদিক যুগতে প্ৰয়োগ হৈছে - "ৰায়ৰায়াহি দৰ্শতেমে সোমা অৰঙ্কৃতাঃ" ঋগ্বেদ - ১/২/১। আদি কাব্য ৰামায়ণতো এই শব্দটিৰ প্ৰয়োগ দেখা যায় - "অলঙ্কাৰোহি নাৰীনাং ক্ষমা। বালকাণ্ড, ৩৪"[২২]। এনেদৰে বেদ আৰু আদিকাব্য ৰামায়ণৰ দিনৰে পৰা অলংকাৰ শব্দৰ ব্যৱহাৰ দেখা গ'লেও প্ৰকৃতাৰ্থত কাব্য আৰু অলংকাৰৰ অবিচ্ছেদ্য সম্পৰ্কৰ প্ৰসঙ্গত অলংকাৰবাদৰ আলোচকসকলৰ ভিতৰত প্ৰথমে নাম ল'ব পাৰি ভামহৰ। তেওঁৰ পুথি কাব্যালংকাৰ সপ্তম শতাব্দীত ৰচিত হৈছিল। ভামহৰ মতে কবিয়ে নিজৰ বক্তব্য মনৰ জোখাৰে ক'বৰ বাবে যি বক্ৰতাপূৰ্ণ শব্দ-কৌশল ব্যৱহাৰ কৰে, সেয়েই হৈছে কাব্যৰ সৌন্দৰ্য বা অলংকাৰ।

এনেদৰে বামনেও "সৌন্দৰ্যমলঙ্কাৰঃ" আৰু 'কাব্যমগ্ৰাহ্যৎলংকাৰ' বুলি কাব্যত অলংকাৰৰ অপৰিহাৰ্যতাৰ কথাও কৈ গৈছে। সৌন্দৰ্যই অলংকাৰ আৰু কাব্য অলংকাৰৰ দ্বাৰাহে গ্ৰহণীয় বুলি কৰা মন্তব্যই প্ৰমাণ কৰে যে অলংকাৰেহে কাব্যক সুন্দৰ কৰি সৌষ্ঠৰ বৃদ্ধি কৰে। "নৰম শতিকাৰ ৰুয্যকে তেওঁৰ 'অলংকাৰ সৰ্বস্ব' গ্ৰন্থত কৈছে - অভিধানপ্ৰকাৰ ৰিশেষা এৱ অলংকাৰঃ। অৰ্থাৎ বিশেষ প্ৰকাৰৰ শব্দসম্ভাৰৰ প্ৰয়োগেই অলংকাৰ।"[২৩] এনেদৰে ভামহ, বামন, ৰুয্যক, মম্মট ভট্টৰ পৰা আৰম্ভ কৰি বিশ্বনাথ কবিৰাজলৈকে সকলো আলংকাৰিকে অলংকাৰৰ সংজ্ঞা বঢ়াই কাব্যত অলংকাৰৰ অবিচ্ছেদ্য সম্পৰ্ক মানি লৈছে যদিও 'ইয়মতাধিকমনোজ্ঞা বল্কলেনাহপিতন্বী' বুলি কাব্যত অলংকাৰৰ প্ৰয়োজনৰ সীমাবদ্ধতাৰ, সমীমতাৰ কথাও উল্লেখ কৰিছে।

অৱশ্যে আনন্দবৰ্ধনে ধ্বন্যালোকত "অলংকাৰৰ প্ৰয়োগৰ ঔচিত্য সম্পৰ্কত বিশদ আলোচনা

---

২০ কৰবী ডেকা হাজৰিকা, পূৰ্বোল্লিখিত, পৃ.১৪৭
২১ নৰকান্ত বৰুৱা, *কবিতাৰ দেহবিচাৰ*, পৃ.২
২২ ড° ইন্দিৰা শইকীয়া বৰা, পূৰ্বোল্লিখিত, পৃ.৫৭
২৩ ইন্দিৰা শইকীয়া বৰা, পূৰ্বোল্লিখিত, পৃ.৬০

কৰিছে। শৃঙ্গাৰাদি ৰসত, বিশেষকৈ বিপ্ৰলম্ভ শৃঙ্গাৰত যমক অলংকাৰৰ প্ৰয়োগ নিষেধ কৰিছে। তেওঁৰ মতে অলংকাৰসমূহ ইমান স্বাভাৱিক হ'ব লাগে যাতে ৰসাকৃষ্ট কবিয়ে কোনো প্ৰয়াস নকৰাকৈয়ে সি স্বতঃস্ফূৰ্তভাৱে আহি যায়। অলংকাৰৰ এনে সৌন্দৰ্যৰ কথা প্ৰাচীন পাশ্চাত্য আলোচক লঙ্গিনচেও (খ্ৰী.২৭২-২৭৩) কৈ গৈছে।"[২৪] কাব্যত অলংকাৰৰ অপৰিহাৰ্যতা পৰিলক্ষিত হয়। অলংকাৰ সাধাৰণতে ব্যাপক আৰু সংকীৰ্ণ দুটা অৰ্থত গ্ৰহণ কৰা দেখা যায়। "ব্যাপক অৰ্থত অলংকাৰ শব্দ অৰ্থ সৌন্দৰ্য; আৰু সংকীৰ্ণ অৰ্থত অনুপ্ৰাস, উপমা, ৰূপক আদি সাহিত্যৰ বিশিষ্ট অলংকাৰসমূহ। প্ৰাচীন আলংকাৰিকসকলে এই দুই অৰ্থতেই অলংকাৰ শব্দ গ্ৰহণ কৰিছিল।

৩.২.১. কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা ঃ

শব্দ আৰু অৰ্থৰ যুগল ৰূপ কাব্য শৰীৰৰ ৰূপৰ শোভা বঢ়োৱা উক্তি বৈচিত্ৰ্যসমূহক অলংকাৰ বুলি কৈ কৰবী ডেকা হাজৰিকাই *কবিতাৰ ৰূপছায়াত* লগতে উল্লেখ কৰিছে যে "কাব্যৰ সৌন্দৰ্য বৃদ্ধিৰ বাবেই অলংকাৰ প্ৰয়োগ কৰা হয় বুলি সাধাৰণভাৱে ধৰি লোৱা হৈছে। কিন্তু বহল দৃষ্টিভংগীৰে চাবলৈ হ'লে অলংকাৰৰ কাম ইমান সংক্ষিপ্ত নহয়। ইয়াৰ দায়িত্ব হ'ল তিনিটা। প্ৰথমতে, বক্তব্য বিষয়ক শক্তিশালী কৰা, দ্বিতীয়তে সেই বিষয় স্পষ্টৰূপত দাঙি ধৰা আৰু তৃতীয়তে কোৱা কথাখিনি অন্তৰ চুই যোৱাকৈ মনোৰমভাৱে প্ৰকাশ কৰা। তিনিওটা উদ্দেশ্য মিলি একেটা হোৱা যেন আপাতদৃষ্টিত লাগিলেও সূক্ষ্ম দৃষ্টিত এই বিভাজনকেইটিও অস্পষ্ট নহয়।"[২৫]

একেদৰেই বামনৰ 'কাব্যম গ্ৰাহ্যৎ অলংকাৰ'এ যেনেদৰে কাব্যত অলংকাৰৰ অপৰিহাৰ্যতাৰ সপক্ষে যুক্তি দৰ্শায়; ঠিক তেনেদৰে "ইয়মতাধিকমনোজ্ঞা বল্কলেনাহপিতন্বী" বুলি অলংকাৰহীনতাই সূচোৱা কাব্যৰ সৌন্দৰ্যৰ সপক্ষেও মত থকা দেখা যায়। তথাপিও সৰহ সংখ্যক অলংকাৰিকে কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তাৰ সপক্ষেই মত আগবঢ়াইছে। অৱশ্যে কাব্যত অলংকাৰৰ প্ৰয়োগ সম্পৰ্কত দেখা যায় যে কাব্যত অলংকাৰৰ উচিৎ ধৰণৰে (মাত্ৰাধিক্য নোহোৱাকৈ) প্ৰয়োগ হোৱাটো বাঞ্চনীয়। কাৰণ অলংকাৰৰ অৰ্থই হ'ল সৌন্দৰ্য বৃদ্ধি কৰোৱা।

---

২৪ কেশদা মহন্ত, পূৰ্বোল্লিখিত, পৃ. ১৪-১৫

২৫ কৰবী ডেকা হাজৰিকা, পূৰ্বোল্লিখিত, পৃ. ১৪৯

৩.২.২. অলংকাৰৰ শ্ৰেণী বিভাগ ঃ

অলংকাৰক প্ৰধানতঃ দুটা ভাগত ভাগ কৰা দেখা যায় - শব্দালংকাৰ আৰু অৰ্থালংকাৰ। প্ৰত্যেক শব্দৰে দুটাকৈ ৰূপ আছে - ধ্বনি আৰু অৰ্থ। ধ্বনিৰ আশ্ৰয়ত শব্দালংকাৰৰ সৃষ্টি হয় আৰু অৰ্থৰ আধাৰত অৰ্থালংকাৰৰ সৃষ্টি হয়। শব্দালংকাৰত sound এই প্ৰাধান্য লাভ কৰে। শব্দালংকাৰত ধ্বনিত গুৰুত্ব দিলেও "অৰ্থহীন কিন্তু শুনাত আনন্দদায়ক শব্দ সমষ্টিৰেও অলংকাৰ নহয়।"[২৬] শব্দালংকাৰৰ প্ৰসংগত ৰামকৃষ্ণ ওজাই মত দাঙি ধৰিছে এনেদৰে - "শব্দালংকাৰৰ আবেদন আত্মাৰ শ্ৰৱনেন্দ্ৰিয় আৰু মনত। ধ্বনিৰ মাজত যি ৰূপৰ আলো থাকে তাৰ দ্ৰষ্টা চকু নহয়, মন। এই ধ্বনি কেতিয়াবা বৰ্ণধ্বনি, কেতিয়াবা শব্দধ্বনি আৰু কেতিয়াবা বাক্যধ্বনি ৰূপে প্ৰকাশ পায়। শব্দালংকাৰৰ অনুপ্ৰাসত; পদধ্বনি যমক, বক্ৰোক্তি, শ্লেষ, পুনৰুক্তবদাভাসত; আৰু বাক্যধ্বনি সৰ্ব্বযমকত পোৱা যায়। শব্দালংকাৰ পাঁচবিধ - অনুপ্ৰাস, (শব্দ) শ্লেষ, যমক, পুনৰুক্তবদাভাস আৰু বক্ৰোক্তি।"

অৰ্থৰ ওপৰত নিৰ্ভৰশীল অলংকাৰকে অৰ্থালংকাৰ বোলা হয়। 'যি অলংকাৰৰ দ্বাৰা বাক্যৰ অন্তৰ্গত ভাৱ বা অৰ্থ সমুজ্জ্বল হৈ উঠে তাকে অৰ্থালংকাৰ বোলা হয়।'[২৭] অৰ্থালংকাৰত শব্দৰ সলনিয়ে সৌন্দৰ্য হানি নকৰে।

অৰ্থালংকাৰৰ বহু সংখ্যক হ'লেও 'সাহিত্য বিদ্যা পৰিক্ৰমা'ত তীৰ্থনাথ শৰ্মাই (ক) সাদৃশ্য, (খ) বিৰোধ (গ) শৃংখলা, (ঘ) ন্যায় আৰু (ঙ) গূঢ়াৰ্থমূলক, এই পাঁচটা ভাগত ভাগ কৰা দেখা যায়।

অৱশ্যে শব্দালংকাৰ আৰু অৰ্থালংকাৰ - এই দুই ভাগত অলংকাৰক ভাগ কৰিলেও "অলংকাৰৰ শ্ৰেণীবিভাগ সম্পৰ্কত দেখা যায় যে, 'অলংকাৰ সৰ্বস্ব' নামৰ গ্ৰন্থত ৰাজানক ৰুয্যকে অলংকাৰবোৰৰ সাত ভাগত ভগাইছে, সেইবোৰ হ'ল, সাদৃশ্যগৰ্ভ, বিৰোধগৰ্ভ, শৃংখলামূলক, তৰ্কন্যায়মূলক, লোকন্যায়মূলক আৰু গূঢ়াৰ্থপ্ৰতীতিমূলক।"[২৮]

- সাদৃশ্যমূলক (উপমা, ৰূপক, প্ৰতীপ, অপহ্নুতি, স্মৰণ, সন্দেহ, নিদৰ্শনা ভ্ৰান্তিমান, উল্লেখ, উৎপ্ৰেক্ষা, অতিশয়োক্তি, ব্যতিৰেক, সমাজ্যোতি, প্ৰতিবস্তুপমা, দৃষ্টান্ত, নিদৰ্শনা)

---

২৬ কৰবী ডেকা হাজৰিকা, পূৰ্বোল্লিখিত, পৃ. ১৫২
২৭ ৰামকৃষ্ণ ওজা, পূৰ্বোল্লিখিত, পৃ. ১৫৭
২৮ কৰবী ডেকা হাজৰিকা, পূৰ্বোল্লিখিত, পৃ. ১৫২

- বৈসাদৃশ্যমূলক ঃ (বিৰোধ, বিষম, বিভাৱনা, বিশেষোক্তি)
- শৃঙ্খলামূলক ঃ (কাৰণমালা, একাৱলী, সাৰ)
- ন্যায়মূলক ঃ (অৰ্থান্তৰন্যাস, কাব্যলিঙ্গ)
- গূঢ়াৰ্থপ্ৰতীতিমূলক ঃ (ব্যজস্তুতি, অপ্ৰস্তুত প্ৰশংসা, স্বভাৱোক্তি)

এনেদৰেই অৰ্থালংকাৰৰ বিভিন্ন ভাগবোৰ উল্লেখ কৰিব পাৰি। শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ মাজত পাৰ্থক্য হ'ল - "শব্দালংকাৰত শব্দৰ পৰিৱৰ্তন কৰিলে সি শব্দালংকাৰ হৈ নাথাকে; আনহাতে অৰ্থালংকাৰত একে অৰ্থসূচক অইন এটা শব্দৰ দ্বাৰা শব্দটোৰ পৰিৱৰ্তন ঘটালেও অলংকাৰৰ কোনো ব্যাঘাত নহয়।"[২৯]

৩.২.৩ শঙ্কৰদেৱৰ কাব্যত শব্দালংকাৰৰ প্ৰয়োগ-সৌন্দৰ্য ঃ

শঙ্কৰদেৱে তেওঁৰ পাণ্ডিত্য আৰু প্ৰতিভাৰ আধাৰত, ভিত্তিতেই কাব্যত অলংকাৰ প্ৰয়োগ কৰিছিল। সংস্কৃত শাস্ত্ৰৰ লগত থকা প্ৰত্যক্ষ সম্পৰ্ক তথা পূৰ্বসূৰী মাধৱ কন্দলী তথা মাধৱ কন্দলী সমকালীন কবিসকলৰ সাহিত্যকৃতিৰ সৈতে থকা পৰিচয়েই শংকৰদেৱক অলংকাৰ তথা কাব্যত অলংকাৰৰ প্ৰয়োগৰ যথাৰ্থতাৰ সৈতে পৰিচয় কৰাই দিছিল বুলিব পাৰি। ভাগৱতৰ প্ৰথম স্কন্ধত "সেহি কৃপাময় মোৰ বাক্য চয় /অলংকৃত কৰন্তোক।। শৃঙ্গাৰাদি নানা ৰসে বাজ হৌক /আনন্দে লোক সুনোক" বুলি উল্লেখ কৰাৰ পৰা "অলংকাৰ", "অলংকৃত কৰা" সম্পৰ্কে শঙ্কৰদেৱ সচেতন আছিল বুলি প্ৰমাণ পোৱা যায়। অনুবাদ সাহিত্যত মৌলিকত্ব প্ৰদৰ্শন কৰাৰ সুবিধা সীমাবদ্ধ হ'লেও শঙ্কৰদেৱৰ অনূদিত সাহিত্য বিশেষকৈ কাব্য সমূহত অলংকাৰৰ সাৰ্থক আৰু উচিৎ ব্যৱহাৰ দেখা যায়। সংস্কৃত আলংকাৰিকৰ দৰে অলংকাৰৰ নিৰ্দিষ্ট সংজ্ঞা সূত্ৰ নিৰ্ধাৰণ নকৰিও ঘৰুৱা আৰু সামাজিক লোকজীৱনৰ পৰা উপাদানবোৰ গ্ৰহণ কৰি অলংকাৰৰ সুপ্ৰয়োগেৰে কাব্য ৰমনীয় আৰু মোহনীয় কৰি থৈ গৈছে।

শঙ্কৰদেৱৰ কাব্যত বিবিধ অলংকাৰৰ উদাহৰণ এনেদৰে দাঙি ধৰিব পাৰি -

অনুপ্ৰাস ঃ "শব্দালংকাৰৰ ভিতৰত অনুপ্ৰাসেই শ্ৰেষ্ঠ"[৩০] বুলি সমালোচকে মন্তব্য কৰা অনুপ্ৰাসৰ

২৯ ৰামকৃষ্ণ ওজা, পূৰ্বোল্লিখিত, পৃ. ১৫৫

৩০ ৰামকৃষ্ণ ওজা,'অলংকাৰ',মহেশ্বৰ নেওগ,হেমন্ত কুমাৰ শৰ্ম্মাৰ, *সাহিত্য-সমীক্ষা*, অসম সাহিত্য সভা,যোৰহাট,পৃ. ১৫৭

শঙ্কৰদেৱৰ কাব্যত ব্যাপক হাৰত প্ৰয়োগ দেখা যায়। শ্ৰুতিমাধুৰ্য দানৰ বাবেই ওচৰা ওচৰিকৈ সদৃশ ব্যঞ্জন বৰ্ণৰ প্ৰকৃষ্টভাৱে বিন্যাসেই হ'ল অনুপ্ৰাস। মুখ্যতঃ শ্ৰুতি মাধুৰ্যৰ বাবেই শঙ্কৰদেৱে অনুপ্ৰাস অলংকাৰ ব্যৱহাৰ কৰিছিল।

নমো নাৰায়ণ নিৰঞ্জন জগজীৱ
পুৰাণ পুৰুষ হৃষীকেশ সদাশিৱ।।
দানৱ দলন দামোদৰ আদি দেৱ।
দণ্ডৱতে পৰি কেশৱক কৰো সেৱ।। (হৰিশ্চন্দ্ৰ উপাখ্যান, ১)

জীৱনৰ প্ৰথমখন কাব্যৰ প্ৰথমটো পদেই এনেদৰে অনুপ্ৰাস অলংকাৰৰ চমৎকাৰী প্ৰয়োগেৰে শঙ্কৰ কবিয়ে কাব্য জগতত আত্মপ্ৰকাশ কৰিছে।

গিৰ গিৰ কৰি কতো দূৰ মাটি লবে (ৰুক্মিণী হৰণ কাব্য, পৃ.৪৮১)

মহা বলীয়াৰ দুষ্ট দাৰুণ দৰ্পিষ্ঠ (ৰুক্মিণী হৰণ কাব্য, পৃ. ৪৬)

যাক কাটিলেক কেশী কংস বকাসুৰে (ৰুক্মিণী হৰণ কাব্য, পৃ. ৪৬)

নমো নমো নাৰায়ণ নিৰাকাৰ নিৰঞ্জন (অমৃত মন্থন কাব্য)
বলি বাণ বৃত্ৰ বিৰোচন চাৰুকৰ্ণ।।
নৰমুণ্ড মালী নমো নমো বলশালী।

মোক শোক শেলে আছে শালি (বলিছলন)
সমৰ ভূমিত যম সম কৰে গতি।

মই মহা মূঢ় মন্দ মতি দুৰাচাৰ। (কুৰুক্ষেত্ৰ কাব্য)

ছেকানুপ্ৰাস ঃ শাৰী শাৰী নাৰী ফুৰে মঙ্গলক চাই। (ৰুক্মিণীহৰণ কাব্য)

বৃত্তানুপ্ৰাস ঃ কাৰো আন্ঠু কণ্ঠ ওষ্ঠ কাঢ়ি ছিন্তে মুণ্ড। (অমৃত মন্থন কাব্য)

কাৰো কাণ্ড খণ্ড কৰি ভসাৱয় তুণ্ড।।

আন নবাঞ্ছোহো সখী কহো সত্য কৰি।

জন্মে জন্মে হুইবো তান চৰণ কিংকৰী।।

এহি বুলি সলোতক ভৈলন্ত কালিন্দী।

প্ৰেমে পৰশিলা মৌনে থাকিলন্ত কান্দি।। (কুৰুক্ষেত্ৰ কাব্য, ২৩৮)

শ্ৰুত্যনুপ্ৰাস ঃ সাদৃশ্যময় ব্যঞ্জনধ্বনি বাগযন্ত্ৰৰ একে স্থানৰ পৰা উচ্চাৰিত হোৱাকে শ্ৰুত্যনুপ্ৰাস বোলে। শঙ্কৰদেৱৰ কাব্যসমূহত শ্ৰুত্যনুপ্ৰাসৰ ব্যাপক হাৰত উদাহৰণ দেখা যায়। শ্ৰৱণমাধুৰ্য /শ্ৰুতিমধুৰতাৰ বাবেই শঙ্কৰদেৱৰ কাব্যসমূহ সাধাৰণ পাঠকৰ কাষ চাপিব পাৰিছিল। প্ৰতিলিপিকৰণৰ সুলভ সুবিধা নথকা বাবে সেই সময়ৰ কাব্যসমূহৰ শ্ৰুতিমধুৰতা অৱশ্যম্ভাৱী গুণ আছিল সেই বাবেই শঙ্কৰদেৱৰ কাব্যসমূহত শ্ৰুত্যনুপ্ৰাসৰ গুৰুত্ব পৰিলক্ষিত হয়।

ললিত বলিত উৰু যেন ৰামকল (ৰুক্মিণী হৰণ কাব্য)

চিহৰণি দিয়া পাছে পৃথিৱীত পৰে।

গিৰ গিৰ কৰি কতো দূৰ মাটি লৰে।। (ৰুক্মিণী হৰণ কাব্য, পৃ. ৪৮১)

যমক ঃ দুটা বা ততোধিক ব্যঞ্জনবৰ্ণ স্বৰবৰ্ণযুক্ত হৈ সাৰ্থক বা নিৰৰ্থক ভাৱে ক্ৰমসাদৃশ্যৰ মাজেদি পুনৰাবৃত্তি হ'লেই যমক অলংকৰাৰ হয় অসমীয়া কবিয়ে যমক অলংকাৰৰ প্ৰতি আকৃষ্ট হোৱা দেখা যায়। বিশেষকৈ শঙ্কৰদেৱৰ কাব্যসমূত যমক অলংকাৰৰ উদাহৰণ যথেষ্ট।

মাধৱৰ মনে বৰ

মাধৱৰ কলেবৰ

মুণ্ডিলন্ত কেশ চাঞ্চিলত গুম্ফ (ৰুক্মিণী হৰণ)

হেলা কৰা কিক, আনা বাসুকীক

ৰাহুত মাহুত হয়

সজল জলদ (অমৃত মথন)

শ্লেষ ঃ বাক্যত ব্যৱহৃত এটা শব্দৰ দুটা বা ততোধিক অৰ্থ যুগপৎ সম্পাদিত হোৱাকে শ্লেষ বোলে।

ভীষ্মক দুহিতা হৰি আনিলা ৰুক্মিনী (ৰুক্মিণী হৰণ, ৯)

মোহোৰ কৰ্মেসে উপজিল ধূমকেতু (ৰুক্মিণী হৰণ, ৮৭)

মোক হৰি   আগতে লৈ যান্ত
কেহোৱে বাধন্তা নাই।
লক্ষেক নৃপতি   মোস মোস কৰি
তথা দি থাকিলা চাই -
(ৰুক্মিণী হৰণ, ২৮৩)

বক্রোক্তি ঃ বক্তাই কয় এনেধৰণেৰে আৰু শ্ৰোতাই তাৰ অৰ্থ গ্ৰহণ কৰে অন্য এনেধৰণেৰে - তেতিয়াই বক্রোক্তি অলংকাৰ হয়।

মোক বিহা কৰিবাক আইলা শিশুপাল।
মোৰ মতে তেৰেতো জীৱন ভৈল ভাল।। (ৰুক্মিণী হৰণ, ৮৮)

ইয়াত “ভাল” শব্দটোৱে আচলতে ভাল মানে বেয়াহে বুজাইছে।

পুনৰুক্তবদাভাস ঃ কোৱা কথাকে পুনৰ কোৱা যেন লগা অলংকাৰেই হ’ল পুনৰুক্তবদাভাস। অৰ্থাৎ যি অৰ্থৰ আপাত দৃষ্টিত (ওপৰে ওপৰে) পুনৰুক্তি যেন লাগে সিয়েই পুনৰুক্তবদাভাস

কৃষ্ণক বোলন্ত গোসাই উঠিল ঝমক।
আৰ ক্ষনিকতে মই দেখোহো যমক।।   (ৰুক্মিণী হৰণ)

ঝমক মানে জ্ঞানশূন্য অৱস্থা, দ্বিতীয় যমক মানে অন্তক, মৃত্যু গতিকে একে উচ্চাৰণৰ শব্দ হ’লেও ঝমক আৰু যমকৰ পুনৰুক্তিয়ে দৰাচলতে দুটা ভিন্ন অৰ্থকে সূচাইছে।

একেটা শব্দ বেলেগ বেলেগ অৰ্থত প্ৰকাশেৰেও শঙ্কৰদেৱে অলংকাৰৰ সৃষ্টি কৰিছে।

পাঞ্চ পুত্ৰ মাজে জীউ একখিনি

সম্যকে মোহোৰ জীউ

কাবৌ কৰে হেৰা পালিবা বিহানী

তোহ্মাৰেসে ভৈলা জীউ।

ৰুক্মিণীৰ মাক শশীপ্ৰভাৰ এই জীউ শব্দটোৱে প্ৰথমটোৱে জীয়েক, দ্বিতীয়টোৱে জীয় অৰ্থাৎ জীৱন, তৃতীয়টোৱে আকৌ জীয়েক অৰ্থ সূচাইছে। গতিকে এইক্ষেত্ৰত 'জীউ' শব্দটোৰ একাধিক প্ৰয়োগেৰে অলংকাৰ হৈছে।

৩.২.৪. শঙ্কৰদেৱৰ কাব্যত অৰ্থালংকাৰ ঃ

শব্দালংকাৰৰ শ্ৰুতিমধুৰতা থাকে আৰু অৰ্থালংকাৰত অৰ্থৰ মাধুৰ্য, মনোহাৰিত্ব থাকে। অৰ্থৰ সুন্দৰতাই যিকোনো পদ, কাব্যক পাঠকৰ বাবে মনোগ্ৰাহী কৰি তোলে। অৰ্থৰ মনোগ্ৰাহিতা তথা সেই মনোগ্ৰাহিতাক বহন কৰা শব্দৰ সুষমাৰ পাৰস্পৰিক সম্পৰ্ক থকা বাবেই শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ ভিতৰত শ্ৰেষ্ঠত্বৰ কথা নাহে। বৰং দুয়োটাই পৰিপূৰকহে। সেইবাবে শঙ্কৰদেৱৰ কাব্যত অৰ্থালংকাৰৰ প্ৰকাৰভেদ অনুসৰি উদাহৰণসমূহ সংখ্যাধিক্য হ'লেও শংকৰদেৱৰ কাব্যৰ প্ৰসঙ্গত শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ সমান গুৰুত্ব আছে। শঙ্কৰদেৱৰ কাব্যসমূহত অৰ্থালংকাৰৰ উদাহৰণ এনেকৈ দাঙি ধৰিব পাৰি -

উপমা ঃ উপমা শব্দৰ সাধাৰণ অৰ্থ তুলনা। যিবোৰ অলংকাৰ তুলনাভিত্তিত সৃষ্টি হয় সেইবাবেই উপমা। সাদৃশ্যৰ ভিত্তিত দুটাৰ তুলনাক উপমাৰ ভাগ/অঙ্গ চাৰিটা - উপমেয় (যাক তুলনা কৰা হয়), উপমান (যাৰ লগত তুলনা কৰা হয়) উপমাবাচক শব্দ (দৰে, নিচিনা, বৎ ইত্যাদি) সাধাৰণ ধৰ্ম (গুণ, যাৰ আধাৰত তুলনা কৰা হয়)।

গুছিল প্ৰতাপ ৰাজ্য শ্ৰীভৈল হীন।

বাঘৰ আগত যেন শংকিত হৰিণ।। (হৰিশ্চন্দ্ৰ উপাখ্যান, ১০৪)

নৃপতিৰ প্ৰাণতো অধিক স্নেহ।

যেন গৌৰী-শঙ্কৰে অভিন্ন ভৈল দেহ।। (হৰিশ্চন্দ্ৰ উপাখ্যান, ১৬)

স্বৰ্গত ক্ৰীড়ন্তে যেন শচী পুৰন্দৰ

লক্ষ্মী সমন্বিতে যেন কেলি কেশৱৰ

শৈবা ভাৰ্য্যা সঙ্গে হৰিশ্চন্দ্ৰ মহাৰথ

পুৰিপলন্ত নৃপতি সমস্তে মনোৰথ।। (হৰিশ্চন্দ্ৰ উপাখ্যান, ১৭)

তুমি জীৱ তুমি প্ৰাণ তুমি বিনা নাহি আন

তুমিসে পৰম ইষ্টদেৱ। (হৰিশ্চন্দ্ৰ উপাখ্যান, ১৬৫)

সবাৰো মাজত প্ৰকাশন্ত বৰবালা।

তাৰায়ে বেষ্টিত যেন চন্দ্ৰমাৰ কলা।। (অমৃত মথন, ২৭৮)

তাক এৰি সুন্দৰীক খেদন্তে দুনাই।

যেন মত্ত হস্তী হস্তিনীক খেদি যাই।। অমৃত মথন, ৬৯৫)

ব্ৰহ্ম ঋষিগনে থাকে চৌপাশে উপাসি।

তাৰাৰ মধ্যত যেন পূৰ্ণিমাৰ শশী।। (অমৃত মথন, ৯২৫)

গোট কটা গাছ যেন পৰিল নিচালে।। (অমৃত মথন, ৩০৫)

ভৰি তুলি কছপে উৰ্দ্ধক দোঙ্গা দিলা

মণ্ডৰ পৰ্বত পুঙ্গা যেন উপঙ্গিলা।। (অমৃত মথন, ১৭০)

হৰৰ কণ্ঠত প্ৰকাশয় কালকূট

স্ফটিক পৰ্ব্বতে যেন অঞ্জনৰ ফোট।। (অমৃত মথন, ২১৩)

ৰাহুত দেখাৱে লীলা গহতি লয়লা সে।

সাগৰৰ উৰ্ম্মি যেন উল্লাসে বতাসে।। (কুৰুক্ষেত্ৰ কাব্য, ১৯)

তাতে বসি প্ৰকাশিলা প্ৰভু আতিশয়।

নক্ষত্ৰৰ মাজে যেন চন্দ্ৰৰ উদয়।। (কুৰুক্ষেত্ৰ কাব্য, ২৯৮)

ৰূপক ঃ উপমেয়ক উপমানত অভেদ কল্পনা কৰিলে তাক ৰূপক অলংকাৰ বোলে। শঙ্কৰদেৱৰ কাব্যসমূহত সাধাৰণতে চৰিত্ৰৰ বিশেষত্ব বুজাবৰ প্ৰসঙ্গত ৰূপক অলংকাৰৰ সহায় লোৱা দেখা যায়।

সংসাৰ-সাগৰ নৌকা সুদৃঢ় সংসাৰ

ভকত গুৰুক সাৰ কৰিবা কাণ্ডাৰ।।

হুও অনুকুল বায়ু মোক সুমৰন্তে।

বৈকুণ্ঠ চপাও নিয়া সংসাৰৰ হন্তে।। (অজামিল উপাখ্যান, ২১১)

নয়ন - কমল মুখ চন্দ্ৰৰ মণ্ডল।

উন্নত নাসিকা কুণ্ডকলি দন্তপান্তি।। ((অজামিল উপাখ্যান, ২৬৬)

অমৃত সুৰস বাণী কোকিলৰ স্বত্ব।

চাৰু কম্বু কণ্ঠক দেখন্তে মনোহৰ।। (ৰুক্মিণীহৰণ, ২১)

প্ৰতীপ ঃ প্ৰতীপ মানে বিপৰীত, যিটো প্ৰকৃততে উপমান হ'ব লাগিছিল, তাক যদি উপমেয় বুলি কল্পনা কৰা হয় তাকে প্ৰতীপ অলংকাৰ বোলে।

কিহৰ ৰমণীক ৰূপ প্ৰচুৰ।

বদনক হেৰি চান্দ ভেল দূৰ।।

নয়নক দেখি পাই বৰ লাজ।

কয়ল ঝাম্প কমল জলমাজ।।

অকন নখক চন্দ্ৰ বিম্ব নুহি সৰি। (ৰুক্মিণী হৰণ, ২২)

আয়ত লোচন, শোভে কমলক গঞ্জি (অমৃত মথন, ৯০২)

কোটি কামদেৱে চৰ নপাৱে / প্ৰকাশন্ত হৃষীকেশ।। (অমৃত মথন, ১৫০)

অমৃত অধিক শ্ৰুৱে মধুৰ বচন। (অজামিল উপাখ্যান, ১২০)

স্মৰণ ঃ কোনো এটা বস্তু দেখি যদি অন্য এটা বস্তুৰ স্মৃতি মনলৈ আহে তেতিয়া তাক স্মৰণলংকাৰ বোলে। ইয়াক স্মৰনোপমা বুলিও কোৱা হয়।

কালিন্দীক দেখি-সখী ফুটে যেন প্ৰাণ।।
ধ্বজ ব্ৰজ পঙ্কজ খোজতে আছে বান্ধি।
তাক দেখি কৃষ্ণ বুলি আমি মৰো কান্দি।।
আজিও সোনাৰ বাংশী ঘৰে আছে পৰি।
দেখি দশগুণে মোৰ মৰ্ম্ম যায় চড়ি।। (কুৰুক্ষেত্ৰ কাব্য, ১১৩)

আক দেখি হৃদয়ত লাগে বৰ তাপ
এহি বয়সৰ মোৰ ৰোহিতাশ্ব বাপ।।
এনয় আয়ত দুই কমল লোচন।
এহি মুখ কৰ্ণ নাসা কপোল দশন।। (হৰিশ্চন্দ্ৰ উপাখ্যান)

উৎপ্ৰেক্ষা ঃ উপমেয়ক গভীৰ সাদৃশ্য হেতু উপমান বুলি উৎকট সংশয় হ'লে উৎপ্ৰেক্ষা অলংকাৰ হয়।

শৈব্যা পাটেশ্বৰী যাৰ স্ত্ৰীৰত্ন মাজে সাৰ
যেন লক্ষ্মী কৃষ্ণৰ ওচৰ।
কৰগত আছে নিধি যেহি বাঞ্ছে সেহি সিদ্ধি
ভোগে যেন দুটি পুৰন্দৰ।। (হৰিশ্চন্দ্ৰ উপাখ্যান, ৫৮)

কপালে ফুটিয়া বোম্বোৰালে আতি
বহি যায় তেজধাৰ
প্ৰকাশে কুমৰ বসন্ত কালৰ
পুস্পিত যেন মন্দাৰ। (ৰুক্মিণী হৰণ, ৫২৫)

কাচক যতন যে পৰিহৰি হীৰা।
শালগ্ৰাম মাটিত নটীক যে পীৰা।। (হৰিশ্চন্দ্ৰ উপাখ্যান, ২৭)

পৰি আছে অসংখ্যাত কটা বাহুচয়।
চিকিমিকি কৰি যেন ৰবিৰ উদয়।। (অমৃত মথন, ৫৬০)

বাৰু বক্ষমূলত যাহাৰ পৰে দৃষ্টি
জুৰাই তনু মন যেন অমৃতৰ বৃষ্টি।। (কুৰুক্ষেত্ৰ কাব্য, ২৫)

অতিশয়োক্তি ঃ উপমেয় উপমানৰ সাদৃশ্যৰ ক্ষেত্ৰত যদি কবি কল্পনাই সম্ভৱ সীমাক অতিক্ৰম কৰি যায় তেতিয়া অতিশয়োক্তি অলংকাৰ হয়।

গোসানীৰ মুখক নয়নে পান কৰে।
এক কমলক যেন অনেক ভ্ৰমৰে।। (অমৃত মথন, ২২৫)

হস্তীসৰ চলে যেন সচল পৰ্ব্বত।
পৃথিৱী নসহে আৰ সেনাৰ আস্ফাল।
দলদোপ কৰে যেন যাই ভূমিচাল।। (ৰুক্মিণীহৰণ ৭৫)

পচিশ হাজাৰ প্ৰহৰৰ পন্থ চৰা (অমৃত মথন, ১৩২)

নেত্রে যেন পান কৰে। (বলি ছলন, ৯৪৮)

কমল নয়ন প্ৰসন্ন বদন
চন্দ্ৰতো অধিক জ্বলে
জগত দুৰ্ল্লভ কণ্ঠত কৌস্তুভ
নৱ সূৰ্য্য সম গ'লে। (অমৃত মথন, ১৪৯)

ব্যতিৰেক ঃ উপমানতকৈ উপমেয়ক অধিক গুণ আৰোপ কৰিলে যি অলংকাৰ হয় সিয়েই ব্যতিৰেক অলংকাৰ।

দশন নিবিৰ যেন মুকুতাৰ পান্তি।।
আয়ত লোচনে সম নোহায় কমলে।
মদনৰ ধনু সম ভ্ৰূৰ যুগ জলে।। (ৰুক্মিণী হৰণ, ১৯)

ললিত বলিত সেহি অঙ্কুলিৰ পান্তি।
চন্দ্ৰবিম্ব সম নুহি সেহি নখ কান্তি।। (হৰিশ্চন্দ্ৰ উপাখ্যান, ৪০৩)

প্ৰতিবস্তুপমা ঃ উপমেয় আৰু উপমানক যদি দুটা বেলেগ বেলেগ বাক্যত দেখুওৱা হয়, সিহঁতৰ সাধাৰণ ধৰ্মক সমাৰ্থক বিভিন্ন ভাষাত প্ৰকাশ কৰা হয় আৰু তুলনাবাচক শব্দ যেনে 'সম', 'তুল্য' প্ৰভৃতি শব্দবোৰৰ কোনোটোকে ব্যৱহাৰ কৰা নহয় তেতিয়াই প্ৰতিবস্তুপমা অলংকাৰ হয়।

তৈলোক্যৰ নাথ মাধৱক এৰি যায়।
কোনে শিশুপালক বৰিবে চক্ষু খাই।।
সিংহ এৰি শুকৰক খোজে কোন প্ৰাণী।।
দুগ্ধ এৰি কোন জনে পিয়ে ক্ষাৰ পানী।। (ৰুক্মিণী হৰণ, ৯১)

নৃপতি বোলন্ত গুৰু নুবুলিবা মোক।
মাধৱক আৰাধিলে যেন লাগে হৌক।।

বিঘ্নিক শঙ্কায়ে নুপূজিবো হৃষীকেশ।

ওকনিক ভয়ে কোনে মুণ্ডি আছে কেশ।। (হৰিশ্চন্দ্ৰ উপাখ্যান, ২৯)

ঋষিগনে বেদ পঢ়ি। চতুৰ্ভিতি যান্ত বেঢ়ি।

মেঘে আকাশত থাকি। চায়া কৰি যান্ত ঢাকি।। (বলি ছলন, ৯৪৫)

নিদৰ্শনা ঃ পৰস্পৰ সম্পৰ্ক থকা দুটা বাক্য বা উপবাক্যৰ সম্ভৱ বা অসম্ভৱ সমন্ধক ব্যঞ্জনাৰ দ্বাৰা উপমেয় উপমানভাৱে বুজালে নিদৰ্শনা অলংকাৰ -

হা ভাৰ্য্যা পুত্ৰ বুলি হিয়ে হান মুঠি।

তাত তাত মাটিত পৰন্ত উঠি উঠি।।

হৃদয়ৰ মাংস কাটি কোনে লৈয়া যায়।

কৰন্ত ক্ৰন্দন তাসম্বাক চাই চাই।। (হৰিশ্চন্দ্ৰ উপাখ্যান, ৩১৮)

ভৰি উভাৰিবো কেনমতে হাতে ৰুই।। (অমৃত মথন, ২৭)

ৰত্নদ্বীপ পায়া হেন পাইলেক বিবুধি

বালিক নাৱত তোলে ৰত্নক নুসুধি।। (বলি ছলন)

দৃষ্টান্ত ঃ উপমেয় আৰু উপমান দুটা পৃথক বাক্যত থাকিলে, সিহঁতৰ সাধাৰণ ধৰ্ম পৃথক হৈয়ো তাৎপৰ্য সাদৃশ্য দেখা গ'লে আৰু সাদৃশ্যবাচক শব্দ জলি উহ্য থাকিলে দৃষ্টান্ত অলংকাৰ হয়।

তোৰ নিন্দাবানী আমাক নপাৰে

শুন অনাচাৰ বাম।

যতেক কুকুৰ কামোৰ মাৰয়

সৱেত আন্ঠুৰ নাম।।

(ৰুক্মিণী হৰণ, ৫১৯)

যেন চক্ষু অন্ধ কৰি ছ্ৰালৰ বস্তু হৰি

নিব খোজে টাটকীয়া নটে। (অমৃত মথন, ২৪৬)

অপ্ৰস্তুত প্ৰশাংসা ঃ অপ্ৰস্তুত অৰ্থাৎ যিটো বৰ্ণনীয় নহয়, তাৰ পৰা যদি প্ৰস্তুত অৰ্থাৎ বৰ্ণনীয় প্ৰতীতি জন্মে তেতিয়া অপ্ৰস্তুত প্ৰশংসা অলংকাৰ হয়।

আমাৰ বংশত তই ভৈলি ধূমকেতু।

গোত্ৰ কুটুম্বৰ সুখ নাহি তোৰ হেতু।। (ৰুক্মিণী হৰণ, ৪৯৯)

মৎস্য যেন তোক মই বিকিল পাপীষ্ঠে।

সেহি কষ্টে মোক জানো এড়ি গৈলি নিষ্টে।। (হৰিশ্চন্দ্ৰ উপাখ্যান, ৩৯৬)

বিষম ঃ মুঠেই সাদৃশ্য নথকা দুটা কথাৰ বিষম সমন্ধৰ বৰ্ণনাই বিষম অলংকাৰ। যেনে -

ভাই নোহি ইটো পাপী পৰম চণ্ডাল। (ৰুক্মিণী হৰণ, ৮৫)

ধিক ধিক ধৰ্মহীন হৰিশ্চন্দ্ৰ হাৰী (হৰিশ্চন্দ্ৰ উপাখ্যান, ১৮৭)

যতেক বোলাহা মোৰ নলৰে মতিক।

তোমাৰ ক্ৰোধক দেখো বৰতো অধিক।। (বলি ছলন, ৪৩৯)

বিভাৱনা ঃ প্ৰসিদ্ধ কাৰণ নোহোৱাকৈ কাৰ্য্যোৎপত্তিৰ বৰ্ণনাত বিভাৱনা অলংকাৰ হয়।

এহিমতে ৰুক্মিনী আছন্ত যেৰে কান্দি

পাছে বাম উৰু বাহু আখি গৈল ফান্দি।। (ৰুক্মিণীহৰণ ২৪৪)

ফান্দে বাম কৰ উৰু অনাবাৰে ভাগে তৰু

পৰ্ব্বত শিখৰ পৰে খসি।

সঘনে নিৰ্ঘাত পৰৈ ঘনে ঘনে ভূমি লৰৈ

একে আকাশতে দুই শশী।। (হৰিশ্চন্দ্ৰ উপাখ্যান, ৬২)

শঙ্কৰদেৱৰ কাব্যত অলংকাৰৰ সৌন্দৰ্যৰ বিভিন্ন দিশসমূহ এনেদৰে আলোচনা কৰিব পাৰি -

- "অভিপ্ৰেত অৰ্থব্যঞ্জনাত শঙ্কৰদেৱৰ ৰচনাত অলংকাৰ সমূহে প্ৰভাৱশালী ভূমিকাকে গ্ৰহণ কৰিছে।"[৩১] সহজ সৰল সাধুজনক উদ্দেশ্যি ৰচনা কৰা কাব্যত অভিপ্ৰেত অৰ্থ ব্যঞ্জনাদীপ্ত হ'বৰ বাবেই শঙ্কৰদেৱে কাব্যত অলংকাৰ প্ৰয়োগ কৰিছে।

- অলংকাৰে বিশেষকৈ শব্দালংকাৰে আনি দিয়া শ্ৰুতি মাধুৰ্যই কাব্যক পাঠকৰ ওচৰ চপাই দিছিল। কাৰণ সহজ বিস্তাৰণৰ বাবেই শঙ্কৰদেৱৰ কাব্যত শব্দালংকাৰৰ সচেতন অথচ সুপ্ৰয়োগ ঘটিছিল বুলি ভাবিব পাৰি।

- কাব্যই পাঠকৰ মন আৰু মননত দীৰ্ঘকালীনতা লাভ কৰিবলৈ হ'লে সিবিলাক স্মৰণীয় বাক্য হ'বই লাগিব।[৩২] কাব্যৰ স্মৰণীয়তাৰ প্ৰসঙ্গত অৰ্থৰ দ্যোতনা থাকিবই লাগিব। সেই অৰ্থতো শঙ্কৰদেৱৰ কাব্যত অৰ্থালংকাৰৰ প্ৰয়োগ ঘটিছিল বুলি ভৱাৰ অৱকাশ থাকে।

- শব্দৰ দ্ব্যৰ্থকতায়ো (ambiguity) আলংকাৰিক প্ৰয়োজন সিদ্ধ কৰে। কবিৰ নিৰ্মাণ দক্ষতা প্ৰকাশক অলংকাৰে কাব্য সৌন্দৰ্য বৃদ্ধি কৰে।

- শঙ্কৰদেৱৰ সময়ত কিছুমান কবি প্ৰসিদ্ধ তথা উপমাৰ পৰম্পৰাগতভাৱে প্ৰয়োগ হৈয়ে আহিছিল। বিশেষকৈ নাৰীৰ/পুৰুষৰ ৰূপবৰ্ণনত, শত্ৰুৰ পৰাজয়ৰ প্ৰসঙ্গত শঙ্কৰদেৱে উত্তৰসূৰী হিচাপে লাভ কৰা উপমা আদি অলংকাৰৰ প্ৰায় হুবহু প্ৰয়োগ কৰিছিল। শব্দ চয়ন আৰু বিন্যাস নীতিত শঙ্কৰদেৱৰ বিচক্ষণতাৰ বাবেই শঙ্কৰদেৱৰ কাব্যত অলংকাৰে বিশেষ সৌন্দৰ্য সৃষ্টি কৰিবলৈ সক্ষম হৈছিল।

- কাব্যৰ বৰ্ণনীয় বিষয়ৰ ক্ষেত্ৰত ধৰাবন্ধা নীতি মানি চলিবলগীয়া হোৱা সত্ত্বেও অলংকাৰৰ প্ৰসঙ্গতো শঙ্কৰদেৱৰ প্ৰতিভা জিলিকি থাকে। কিয়নো "ভাৰতীয় সাহিত্য শাস্ত্ৰত অলংকাৰ বুলি স্বীকৃত নোহোৱা, বাক্যৰ প্ৰথম অংশ বাৰে বাৰে আবৃত্তি কৰি প্ৰস্তুত বিষয়ৰ গুৰুত্ব বঢ়োৱা Anaphora নামৰ যিবিধ অলংকাৰ পাশ্চাত্য সাহিত্য শাস্ত্ৰত স্বীকাৰ কৰা হৈছে, অসমীয়া সাহিত্যত সেই অলংকাৰৰ প্ৰয়োগ যথেষ্ট দেখা যায়।"[৩৩] তেনে বাক্য বিন্যাস শঙ্কৰদেৱৰ ৰচনাতো আছে। হৰিশ্চন্দ্ৰ ৰজাই বিশ্বামিত্ৰক দান কৰিবলৈ ওলাই নিজৰ দানৰ ক্ষমতা প্ৰকাশ কৰি কৈছে -

---

৩১ কেশদা মহন্ত, পূৰ্বোল্লিখিত, পৃ. ১৫

৩২ Poetry is memorable speech - Auden

৩৩ কেশদা মহন্ত, পূৰ্বোল্লিখিত, পৃ. ১৫

কিবা ৰত্ন ৰজতৰ অলেখ্য ভাণ্ডাৰ।
কিবা দণ্ডপাট ৰাজলক্ষী অলংকাৰ।।
কিবা গজ বাজী আৰো অযোধ্যা নগৰ।
কিবা লাগে দেত্ৰণ্ড আপোনাৰ কলেৱৰ।। (হৰিচন্দ্ৰ উপাখ্যান, ৮৮)

আউৰ মনি আছয় ৰাত্ৰিক দিন কৰে।
আউৰ মনি আছয় পিয়াস ক্ষুধা হৰে।।
আউৰ মনি আছয় চৌষস্টি হৰে ৰোগ।
আউৰ মনি আছে ঐত পাই যত ভোগ।। (ৰুক্মিণী হৰণ, ৭৬৫)

নমো জগন্নাথ জগতৰ জীৱ প্ৰাণ।
নমো যোগেশ্বৰ সৃষ্টি স্থিতিৰ নিদান।।
নমো নমো আদি দেৱ ব্ৰহ্ম নাৰায়ণ।
নমো নমো ঋষি হৰি সংসাৰ কাৰণ।। (বলি ছলন, ৮৬৬)

নমো মৰকত শ্যাম তনু অনুপাম।
নমো পূৰ্ণকাম সৰ্ব্বলোক অভিৰাম।।
নমো মূলমন্ত্ৰ শিৰে শোভে শ্বেতছত্ৰ।
গাৰে পীত বস্ত্ৰ ধৰি আছা চাৰি অস্ত্ৰ।। (বলি ছলন, ৮৬৭)

এই পদ কেইফাকিত 'কিবা', 'আউ'ৰ আৰু 'নমো'ৰ আদিতেই পুনৰাবৃত্তি ঘটিছে। এনেধৰণৰ অসমীয়াত দুৰ্লভ বাক্য বিন্যাস ৰীতিৰ শঙ্কৰদেৱে কিন্তু জীৱনৰ প্ৰথমখন কাব্যতে সফল প্ৰয়োগ ঘটাইছিল।

- দৈনন্দিন জীৱনত সাধাৰণজনে ব্যৱহাৰ কৰা উপমা, সন্দেহ আদি অলংকাৰৰ কাব্যত সুপ্ৰয়োগেৰে পাঠকৰ অন্তৰত সহজেই প্ৰৱেশ কৰিছিল - দুগ্ধ এৰি কোনজনে পিয়ে ক্ষাৰ পানী, ওকনিৰ ভয়ে কোনে মুণ্ডি আছে কেশ ইত্যাদি।

● শঙ্কৰদেৱৰ উপলব্ধিৰ গভীৰতা প্ৰকাশ পোৱা ব্যঞ্জিত কল্পচিত্ৰই পাঠকক গম্ভীৰ উপলব্ধি কৰাবলৈ সক্ষম হয়।

হাততে বাসুকি ৰৈল পৰ্ব্বত হোহকি গৈল
দেখি সৱে থিয়য়ে মৰিলা
একো কথা মাত নাই চিত্ৰৰ পুতলি প্ৰায়
যেন মুণ্ডে স্বৰগ পৰিলা। (অমৃত মথন, ১৬১)

এনেদৰে, নিৰ্দিষ্ট উদ্দেশ্য আগত ৰাখি শঙ্কৰদেৱে বৰ্ণনীয় বিষয়ৰ বাবে কাব্যত যথেষ্ট সচেতনতাৰে অলংকাৰৰ সুপ্ৰয়োগ ঘটাইছিল, যাৰ বাবে শঙ্কৰদেৱে সাহিত্যত বিশেষকৈ কাব্যত অলংকাৰৰ প্ৰাচুৰ্য লক্ষ্য কৰা যায়।

৩.৩.০. চিত্ৰকল্প প্ৰয়োগৰ সৌন্দৰ্য ঃ

কল্পচিত্ৰই শঙ্কৰদেৱৰ কাব্যত সৌন্দৰ্য দান কৰিছিল। *হৰিশ্চন্দ্ৰ উপাখ্যান*ৰ উদাহৰণেৰে কেশদা মহন্তই এই সন্দৰ্ভত মত আগবঢ়াইছে এনেদৰে - "একোখনি মনোৰম কল্পচিত্ৰই পাঠক - শ্ৰোতাক খন্তেকলৈ হ'লেও স্তব্ধ কৰি থয়।"[৩৪]

শঙ্কৰদেৱে শব্দেৰে এনে দ্যোতনাৰ সৃষ্টি কৰি কাব্য সুন্দৰ কৰি তুলিছিল। পুত্ৰ শোকত কাতৰা শশীপ্ৰভাই পুতেক ৰুক্মবীৰক ৰণত পৰি থকা দেখি "কৃষ্ণ জমাই যমদূত" বুলি উল্লেখ কৰা কথা এই প্ৰসঙ্গত উল্লেখযোগ্য। সুদৰ্শন কৃষ্ণ *অজামিল উপাখ্যান*ৰ ভয়ঙ্কৰ যমদূত নহয় তেওঁ কাৰ্য্যাৱলীহে যমদূতৰ ক্ৰিয়াৰ অনুৰূপ। পাঠকৰ মনলৈ যমদূতৰ চেহেৰাতকৈ যমদূতৰ কামৰ কথাহে মনলৈ আহিব। এনেদৰে নতুন দ্যোতনাৰে শঙ্কৰদেৱে কাব্যত সৌন্দৰ্য সৃষ্টি কৰিছিল।

হৰিশ্চন্দ্ৰ উপাখ্যান -

(১) কাম্পে হাত পাৱ শৰীৰ তৰাসে
যেন অশ্বত্থাৰ পাত পছোৱা বতাসে

৩৪ কেশদা মহন্ত, পূৰ্বোল্লিখিত, পৃ.৩২

(২) মহা জল বেগে যেন এক থান হোৱে ফেন

খানিতেক থাকি মিল যায়

বান্ধৱৰ সমাগম জানিবাহা সেহি সম

ৰুক্মিণী হৰণ -

কোড়া কঙ্ক বক অনেক চটক

জলে পৰি থাকে বাঞ্ছি

প্ৰমত্ত নিৰ্ভয় ৰাজহংস চয়

মৃণাল ভুঞ্জে উভঞ্জি।।

“এনে ‘কোমল’ চিত্ৰকল্পই নহয়, আধুনিক কবিতাত ৰূপায়িত ‘কঠিন শুষ্ক’ চিত্ৰকল্পৰো সমাৱেশ ঘটিছে তৰুণ কবিৰ এই ৰুক্মিণী হৰণঃ কাব্যত।” [৩৫]

“মহৎ কবিতাৰ এটা লক্ষণ হ’ল যে সিবিলাকৰ কোনো শাৰী প্ৰসঙ্গৰ পৰা আঁতৰ কৰি আনিলেও অৰ্থ আৰু তাৎপৰ্য হেৰাই নাযায়।” [৩৬] *ৰুক্মিণী হৰণ* কাব্যত উল্লেখ থকা এই পদফাঁকি এই প্ৰসঙ্গত উজ্জ্বল উদাহৰণ -

(ক) হাৰিয়া জিনয় কেহো জিনিয়া হাৰয় আতি

কৈতো সৰ্ব্বকালে নাহি জয়। ৪৪৭

(খ) হাৰিয়া জিনয় কেহো জিনিয়া হাৰয়।

সৰ্ব্বকালে সংসাৰত কাৰো নাহি জয়। ৬৫০

জৰাসন্ধই শিশুপাল বান্ধৱক বুজনি দিয়া ‘ক’ৰ উদ্ধৃতিৰ সামান্য সালসলনিৰে ভীষ্মক ৰজাই পৰৱৰ্তী সময়ত পুত্ৰ ৰুক্মবীৰক ‘খ’ বুজনি দিছে। এই দুই উক্তিক ‘আপ্ত বাক্য’ বুলিও ভাবিব পাৰি।

---

৩৫ ড° এম. কামালুদ্দিন আহমেদ, ৰুক্মিণী হৰণ কাব্য ঃ আধুনিক কাব্যৰ সম্ভাৱনা , *কথা গুৱাহাটী*, পৃ.৩৯

৩৬ আনন্দ বৰমুদৈ, পূৰ্বোল্লিখিত, পৃ.৩৮

শঙ্কৰদেৱৰ কাব্য কুশলতাৰ বাবে একে অৰ্থৰ উদ্ধৃতিয়ে একেখন কাব্যত দুবাৰকৈ ভিন্ন ঠাইত ব্যৱহৃত হৈও সৌন্দৰ্য হেৰুওৱা নাই। এই প্ৰসঙ্গতে উল্লেখ কৰিব পাৰি যে সুদক্ষিণা শৰ্মাৰ জীৱন আধাৰিত "আগবাৰীত ফুলিলে সোণে মোৰ চম্পা অই" ৰ পাতনিতো *ৰুক্মিণী হৰণ*ৰ এই পদফাকিৰ উল্লেখ দেখা যায়। প্ৰায় পাঁচ শতিকা জুৰি কাব্যৰ উদ্ধৃতিৰ গৰিমা ম্লান নোহোৱাকৈ আজিও ব্যৱহৃত হৈ থকা কথাই শঙ্কৰদেৱৰ কাব্যৰ আবেদন, সাৰ্বজনীনতা তথা কালজয়ী গুণকেই প্ৰকাশ কৰে।

৩.৪.০. ছন্দ প্ৰয়োগৰ সৌন্দৰ্য ঃ

শঙ্কৰদেৱৰ কাব্যত সৌন্দৰ্য সৃষ্টি কৰাৰ ক্ষেত্ৰত ছন্দৰ ভূমিকা অপৰিসীম। ছন্দৰ সৌন্দৰ্যই শঙ্কৰদেৱৰ কাব্যৰ প্ৰতি পাঠকক সহজে আকৰ্ষিত কৰিছিল। শঙ্কৰদেৱৰ কাব্যত ছন্দ প্ৰয়োগৰ সচেতনতা সততে পৰিলক্ষিত হয়।

'ছন্দ' শব্দটোৰ ব্যুৎপত্তিগত অৰ্থই হৈছে মনোৰঞ্জনৰ উপকৰণ। পাণিনিয়ে শব্দটোৰ সূত্ৰ এইদৰে বান্ধি থৈ গৈছে, "যিটো বস্তুৱে নচুৱাই তোলে, আনন্দৰ যোগান ধৰে আৰু পোহৰাই দিয়ে - সেয়েই ছন্দ।"[৩৭] এইবিধ ধ্বনি শিল্প ছন্দৰ কাব্যত প্ৰয়োজনীয়তা অপৰিসীম। বান্ধোন (ছন্দবদ্ধ) আৰু কঁপনি (ছন্দষ্পন্দ) জড়িত হৈ থকা ছন্দই কাব্যত সুষমা দান কৰে আৰু পাঠকক আাদিত কৰি ৰাখে।

ছন্দ শব্দটো সংস্কৃত ছন্দ শব্দৰ পৰা অহা যাৰ ধাতুগত অৰ্থ আাদক। এই আাদ আহে - শব্দৰ বিন্যাস প্ৰকাৰৰ ফলত ওপজা সৌন্দৰ্যৰ পৰা। ছন্দৰ মূল কথা সংযম। কাব্যৰ যথা ইচ্ছা বৈ যোৱাৰ অবাধ গতিক নিয়মিত কৰি লয় সমন্বিত কৰাৰ ফলত ওপজা সৌন্দৰ্যই ছন্দ।[৩৮] কাব্যত সৌন্দৰ্য সৃষ্টিৰ এক শক্তিশালী উপাদান হ'ল ছন্দ। মাধৱকন্দলীৰ উত্তৰসূৰী শঙ্কৰদেৱে লাভ কৰা বৌদ্ধিক পৰিৱেশত তেওঁ ছন্দৰ বিষয়ে নিশ্চিতভাৱে জানিছিল বুলি ভাবিব পাৰি। লগতে গুৰু মহেন্দ্ৰ কন্দলিৰ টোলৰ পাঠ্যক্ৰমতো সংস্কৃত সাহিত্যি অধ্যয়ন কৰাৰ ফলশ্ৰুতিত ছন্দ প্ৰয়োগৰ কৌশল শঙ্কৰদেৱৰ কাব্যৰ সৌন্দৰ্য সৃষ্টি আৰু বৃদ্ধিত এক শক্তিশালী কাৰক হৈ পৰিছিল। শঙ্কৰদেৱৰ পূৰ্বসূৰী, সমসাময়িক বা উত্তৰসূৰী

---

৩৭ মহেন্দ্ৰ বৰা, *অসমীয়া ছন্দৰ শিল্পতত্ত্ব*, পৃ. ৭

৩৮ ভৱজিৎ বায়ন, *সৰ্বভাৰতীয় ভক্তি আন্দোলন আৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ কীৰ্তন ঘোষা,* পৃ.২০০

সকলোৰে কাব্য ছন্দ বন্ধত ৰচিত হৈছিল কিন্তু "শঙ্কৰদেৱে কাব্যৰ ভাৱ আৰু বিষয়ৰ লগত - সম্পূৰ্ণ ৰজিতা খোৱাকৈ অতুলনীয় দক্ষতাৰে প্ৰয়োগ কৰি গৈছে ছন্দসজ্জা। তদুপৰি, তেওঁ যিমানকেইটি ছন্দসজ্জা ব্যৱহাৰ কৰি গৈছে আন কোনো অসমীয়া কবিয়ে সিমান ছন্দ ব্যৱহাৰ কৰা নাই। যৌগিক ৰীতিৰ অন্তৰ্গত পয়াৰ, দুলড়ী আৰু ছবিৰ ঐতিহ্যক আগত ৰাখি শঙ্কৰদেৱে "পোন প্ৰথমতে তেওঁ প্ৰায় এশ বছৰ ধৰি পাহৰণিৰ গৰ্ভত হেৰাবলৈ লোৱা কেইটামান ছন্দসজ্জা দুনাই প্ৰচলন কৰিলে।"[৩৯] ইয়াৰ বাহিৰেও শঙ্কৰদেৱে আপোন প্ৰতিভাৰে "গজগতি বা ঝুমুৰা (৪.৪). দিগক্ষৰা বা ভগ্ন পয়াৰ (৪.৬) আৰু একাৱলী বা ঝূনা (৬.৫)"[৪০] ৰূপকল্পৰ ছন্দসজ্জাৰ জন্ম দিছিল। "শঙ্কৰদেৱে তেওঁৰ পূৰ্বসূৰী কবিসকলৰ ৰচনাৱলীৰ ক'তোৱেই সেই নতুন ছন্দসজ্জাসমূহৰ আনকি অতি অস্পষ্ট আভাসো বিচাৰি পোৱা নাছিল।... ইবিলাক তেওঁৰ অতি বিৰল ছান্দসিক প্ৰতিভাৰ অনবদ্য ফলশ্ৰুতি।"[৪১]

"In the History of Assamese metre no other single poet than Sankardeva can claim of contributing so much in so many aspects."[৪২] বুলি ড° মহেন্দ্ৰ বৰাই কৰা মন্তব্যত শঙ্কৰদেৱৰ ৰচনাত ছন্দৰ ওপৰত থকা দক্ষতা, তথা কাব্যৰ প্ৰসঙ্গত ছন্দৰ সৌন্দৰ্যৰ দিশটোকে সূচায়। কুসুমমালা, হংসমালা, লনি দুলড়ী বা ত্ৰিপদী, পাঞ্চালী আৰু ঝমক নামৰ নতুন পাঁচবিধ ছন্দসজ্জাৰ কথা মহেন্দ্ৰ বৰাই ছন্দোগুৰু শ্ৰীমন্ত শঙ্কৰদেৱ শীৰ্ষক প্ৰবন্ধটিত ফঁহিয়াই আলোচনা কৰিছে। "In verse forms Sankardeva followed his great master Madhava Kandali and adopted the traditional and standard meters Pada, Dulari, Chavi, Jhumura, etc, with masterely matrical skill."[৪৩] এনেদৰে শঙ্কৰদেৱৰ সময়ত সীমিত সংখ্যক ছন্দসজ্জাৰ প্ৰচলন থাকিলেও বৰ্ণনীয় বিষয়ৰ প্ৰয়োজনীয়তাত, কাব্যগুণ বৃদ্ধি কৰি পাঠকৰ ওচৰ চাপিবৰ বাবে শঙ্কৰদেৱে এনে কিছুমান ছন্দসজ্জাৰ ব্যৱহাৰ কৰিছিল যিয়ে কাব্যৰ নান্দনিকতা বৃদ্ধি কৰাৰ লগতে শঙ্কৰদেৱকো বিদ্বৎ সমাজত 'ছন্দোগুৰু' হিচাপে পৰিচিত কৰাইছে।

---

৩৯ নগেন শইকীয়া, পূৰ্বোল্লিখিত, পৃ.৬৪

৪০ মহেন্দ্ৰ বৰা "ছন্দোগুৰু শংকৰদেৱ", ড° অংশুমান দাসৰ *শঙ্কৰদেৱৰ ভাষা আৰু সাহিত্য*, পৃ.৪২

৪১ অংশুমান দাস, পূৰ্বোল্লিখিত, পৃ.৪৫

৪২ সত্যেন্দ্ৰ বৰদলৈ, *ৰুক্মিণীহৰণ-কাব্য আৰু নাট*, পৃ.৪৪

৪৩ B.K. Baruah, "Sankardeva : His poetical works", B.K. Kakoti's *Aspects of Early Assamese Leterature*, p.121

শঙ্কৰদেৱৰ কাব্যত বিভিন্ন ধৰণৰ ছন্দসজ্জাৰ এনেদৰে প্ৰয়োগ ঘটা দেখা যায় -

পদ বা পয়াৰ ঃ শঙ্কৰদেৱৰ কাব্যসমূহত আটাইতকৈ বেছিকৈ ব্যৱহৃত ছন্দসজ্জাই হৈছে পদ বা পয়াৰ। ৮৬ মাত্ৰা সংকেতৰ দ্বিপৰ্বিক ছন্দসজ্জাৰ পয়াৰৰ ৰূপকল্প অপূৰ্ণপৰ্বিক। একোটা স্তৱকত দুটাৰ পৰা আঠটালৈ চৰণ থকা দেখা যায়।

জয় জয় জগন্নাথ/জগতৰ জীৱ।
ত্ৰৈলোক্যৰ মোহন সনা/তন সদাশিৱ।। (ৰুক্মিণী হৰণ, ১.)

পৰীক্ষিত ৰাজা শুক / মুনিত পুছিলা
যেনমতে হৰি ক্ষীৰ / সাগৰ মথিলা। (অমৃত মথন, ৬.)

মোহোৰ ভৰিৰ জোখা / কৰি দিয়া দান।
এহিসে প্ৰাৰ্থনা কৰো / নমাগোহো আন।। (বলি ছলন, ১০০)

তুমিমে সুহৃদ আত্মা / প্ৰিয়তম মোৰ।
তথাপি পামৰ মই / ভৈলো সেৱা চোৰ।।
বৃথা মনোৰথ আয়ু / ভৈল সমাপতি।
বান্ধৱ মাধৱ সাধা / অগতিৰ গতি।। (কুৰুক্ষেত্ৰ কাব্য, ৩৫৬)

গজগতি/ঝুমুৰি ঃ দ্বি-পৰ্বিক, প্ৰতিসম পৰ্বৰ ঝুমুৰা বা ঝুমুৰি ছন্দৰ ৰূপকল্প হ'ল ৪+৪ শঙ্কৰদেৱৰ কাব্যত তুলনামূলকভাৱে ঝুমুৰি ছন্দৰ প্ৰয়োগ কম। দ্ৰুত গতিসঞ্চাৰী ঝুমুৰি ছন্দতো শঙ্কৰদেৱে যুদ্ধৰ দৰে দ্ৰুতগতিৰ সময়তহে ব্যৱহাৰ কৰিছিল। একোটা স্তৱক চাৰি চৰণেৰে বিন্যস্ত হয়। মিলৰ নিৰ্দেশ ক-ক-খ-খ

দুয়ো বীৰ মহামান
যেন যুজে যমকাল।।
কৰে আতি তালফাল
যাই যেন ভূমি ছাল।। (ৰুক্মিণী হৰণ, ৪১৪)

ঝুমুৰি শঙ্কৰে ভনে।

শুনিয়োক সৰ্ব্বজনে।।

বৈকুণ্ঠক ইচ্ছা যাৰ।

ভাগৱত কথা সাৰ।। (অমৃত মথন, ৮৮/)

কপট বামন পাছে।

চলি যান্ত দিব্য কাছে।।

পৰম গম্ভীৰ ভাৱে।

কাম্পে ভূমি পাৱে পাৱে।। (বলি ছলন, ৯৪৫)

*ৰুক্মিণী হৰণ*ত দুটা, *অমৃত মথন*ত দুটা, *বলিছলন*ত এটা, *হৰিশ্চন্দ্ৰ উপাখ্যান*ত এবাৰৰ বাবে (২১৭-২৪২ লৈ) শঙ্কৰদেৱে ঝুমুৰি বা গজগতি ছন্দ ব্যৱহাৰ কৰিছে *অজামিল উপাখ্যান* আৰু *কুৰুক্ষেত্ৰ* কাব্যত ঝুমুৰি ছন্দৰ ব্যৱহাৰ দেখা নাযায়।

ঝুনা বা একাৱলী ঃ

এই ছন্দৰ ছন্দ সজ্জা দ্বি পৰ্বিক আৰু মাত্ৰা সংকেত ৬+৫। চাৰিটা চৰণেৰে একোটি স্তৱক পূৰ্ণ হয়। মিত্ৰ বৰ্ণৰ নিৰ্দেশ ক-ক-খ-খ। *ৰুক্মিণী হৰণ* কাব্য আৰু *অমৃত মথন* কাব্যত (২৮৮-২৯৪) হে ঝুনা বা একাৱলীৰ প্ৰয়োগ দেখা যায়-

ঘোষা - এ হৰি নমো / নমো মহাদেৱ।

শিৱাই শঙ্কৰ / নমো গোসাই এ।।

পদ -

সব দেবগণে উচৰ্গি আছে।

মনে মনে হৰে / গুনন্ত পাছে।।

কিবা দিবো আবে / কৰো কোন কৰ্ম্ম।

গাঁৰৰ বস্ত্ৰ সি / য়ো বাঘ চৰ্ম্ম।। (ৰুক্মিণী হৰণ, ৭৭২)

শিৰত লাগিল / কটাক্ষ ছটা।

কামে জৰ্জ্জৰিত / কাম্পয় জটা।।

হাতৰ পৰিল / ডম্বৰু শূল।

গাঁৰৰ সপ সি / য়ো বিয়াকূল।। (অমৃত মথন, ২৮৮./২৮৮)

ঝমক ঃ

দ্বিপৰ্বিক ছন্দসজ্জাৰ অন্তৰ্গত ৬+৮ ৰূপকল্পৰ ঝমক ছন্দসজ্জাও শঙ্কৰদেৱে তেওঁৰ কাব্যত প্ৰয়োগ কৰিছিল। *অমৃত মথন*ৰ ৫৩২ ৰ পৰা ৫৪৩ সংখ্যক পদলৈ ঝমক ছন্দসজ্জাত বিষয় বস্তু বৰ্ণিত / বিবৃত হোৱা দেখা যায়।

মহা বলশালী।

দুইতো দুই পাৰে গালি।।

মাৰে বাহু টালি।

ইন্দ্ৰে আৰো বীৰ বলি। (অমৃত মথন ৫৪১)

এনেদৰে শঙ্কৰদেৱৰ কাব্যত দ্বিপৰ্বিক ছন্দসজ্জাৰ অন্তৰ্গত পদ বা পয়াৰ, ঝুমুৰি বা গজগতি, ঝুনা বা একাৱলী, আৰু ঝমক ছন্দসজ্জাৰ প্ৰয়োগ দেখা যায়। ইয়াৰ বাহিৰেও ত্ৰি পৰ্বিক ছন্দসজ্জাৰ অন্তৰ্গত দুলড়ী (৬+৬+৮) আৰু ছবি ছন্দৰো ব্যৱহাৰ এনেদৰে দেখিবলৈ পোৱা যায় -

দুলড়ী ঃ

শঙ্কৰদেৱৰ প্ৰতিখন কাব্যতে থকা তিনিবিধ ছন্দসজ্জা পদ, দুলড়ী আৰু ছবিৰ ভিতৰত দুলড়ী ছন্দৰো যথেষ্ট পদ ৰচিত হোৱা দেখা যায়। ত্ৰিপৰ্বিক ছন্দসজ্জাৰ অন্তৰ্গত দুলড়ী হ'ল অতিপূৰ্ণ পৰ্বৰ আৰু ইয়াৰ মাত্ৰা সংকেত হ'ল ৬+৬+৮

হেন শুনি হাসি মাধৱে বোলত

শুন ওৰে শিশুপাল।

কৈত শুতি আছ কুকুৰৰ মুখে

ফাৰিবাক পাৰে জাল।। (ৰুক্মিণী হৰণ, ৩৪৯)

পদ্ম পত্ৰ জল   জীৱন চঞ্চল
কৈত কেতিক্ষনে যায়।
ইটো দুঃখ শোক   ঘোৰ পৰলোক
চিন্তাতে ধাতু উৰায়।।

(অজামিল উপাখ্যান, ১৫৯)

শিৰীষ সেউতি   তমাল মালতী
পাৰিজাত যূতি জাই।
বকুল বন্দুলি   আছে ফুলি ফুলি
তাৰ সীমা সংখ্যা নাই।।

(অমৃত মথন, ৬৬৫)

বিষ্ণু বিনে আৰ   নাহিকে আমাৰ
পৰম প্ৰাণৰ বৈৰী।
তিনিপদ ছলে   সৰ্বস্ব সকলে
দৈতেন্দ্ৰৰ লৈলা হৰি।।

(বলি ছলন, ১০৮২)

এহি বুলি দুষ্ট   নৃপতি যতেক
ভোলাইলেক শিশুপালে।
ৰাজসূয় যজ্ঞ   বিনাশিৱে প্ৰতি
সাজিলেক সমদলে।।

(কুৰুক্ষেত্ৰ কাব্য, ২৫৪৮)

ছবি ঃ

দুলড়ী আৰু ছবি এই দুই ত্ৰিপদী ছন্দসজ্জাৰ ভিতৰত শঙ্কৰদেৱৰ কাব্যত তুলনামূলকভাৱে ছবি ছন্দসজ্জাৰ প্ৰয়োগ অধিক ত্ৰিপৰ্বিক ছন্দসজ্জাৰ অন্তৰ্গত ছবি অতিপূৰ্ণপৰ্বিক আৰু ইয়াৰ মাত্ৰা সংকেত হ'ল ৮+৮+১০

কৰযোৰে বুদ্ধলোক বোলো ক্ষমিয়োক মোক
মহন্তৰ ক্ষমাসে ভূষণ
আৱাসে টীকাতে চাই যেৱে দেখা কথা নাই
তেৱে দিবা পদত দূষণ।।
যিটো জনে অতিজ্ঞাসী হঠাত নিন্দয় আসি
তাকো একো বুলিতে নপাৰি।
এৱে নিজ পূন্যচয় কৰে মোৰ পাপক্ষয়
দেখা সিটো কেন উপকাৰী।।

(অজামিল উপাখ্যান, ৩৫৬)

হেন মহা উপবন দেখিলন্ত ত্ৰিণয়ন
দিব্য কন্যা এক আছে তাতে।
কোটি লক্ষীসম নোহে কটাক্ষে ত্ৰৈলোক্য মোহে
ভণ্টা খেড়ি খেলে দুয়োহাতে।।

(অমৃত মথন, ৬৭১)

এনেদৰে শঙ্কৰদেৱৰ কাব্য সমূহত বিভিন্ন ছন্দসজ্জাৰ প্ৰসঙ্গত দেখা যায় যে শঙ্কৰদেৱৰ কাব্যসমূহৰ ভিতৰত *অমৃত মথন*ত সৰ্বাধিক (পদ, ঝুমুৰি, ঝুনা আৰু দুলড়ী) ছন্দৰ প্ৰয়োগ দেখা যায়। নিঃসন্দেহে শঙ্কৰদেৱৰ কাব্যত ছন্দৰ বৈচিত্ৰ্য আৰু বৈবিধ্য আছে। এই বৈবিধ্য আৰু বৈচিত্ৰ্যই কাব্যসমূহক সৌন্দৰ্যমণ্ডিত কৰি তুলিছে। ৪১৫ টা পদত ৰচিত *অজামিল উপাখ্যান* কাব্যই হ'ল

শঙ্কৰদেৱৰ আটাইতকৈ কম সংখ্যক পদত আৰু ৭৭৮ টা পদত বিধৃত *ৰুক্মিণী হৰণেই* হ'ল বৃহত্তম কাব্য। ইমানবোৰ পদত ইমানখিনি কাব্য ৰচনা কৰি শঙ্কৰদেৱ অসমীয়া সাহিত্যত বিশেষকৈ কাব্যত ছন্দৰ প্ৰসঙ্গতো ছন্দোগুৰু শঙ্কৰদেৱ আখ্যাৰে বিভূষিত হৈছে। কাব্য গুণ অক্ষুন্ন ৰাখি বিষয়ক অগ্ৰগতি দান কৰি চৰিত্ৰৰ বৈচিত্ৰ্য প্ৰকাশেৰে ৰস, অলংকাৰৰ সমতাপূৰ্ণ ব্যৱহাৰৰ লগত উপযুক্ত ছন্দৰ প্ৰয়োগেৰে শঙ্কৰদেৱৰ কাব্যসমূহ উজ্জীৱিত হৈছে। অৰ্থাৎ নন্দনতত্ত্বৰ আধাৰত শঙ্কৰদেৱৰ কাব্য বিচাৰ প্ৰসঙ্গত ছন্দক এক শক্তিশালী কাৰক বুলিব পাৰি। বিশেষ আৰ্হিনথকাসত্ত্বেও শঙ্কৰদেৱে নিজস্ব পাণ্ডিত্য আৰু প্ৰতিভাৰে অসমীয়া ছন্দক যিদৰে ঋদ্ধ কৰি থৈ গৈছে সেয়া আজি পৰ্যন্ত অনতিক্ৰম্য হৈয়ে ৰৈছে। এয়াই ছান্দসিক কবি শঙ্কৰদেৱৰ কৃতি আৰু কৃতিত্ব। কাব্যত ছন্দৰ সুষম আৰু প্ৰয়োজনীয় হাৰত প্ৰয়োগৰ ফলত প্ৰত্যেক কাব্যই ৰমণীয় হৈ পৰিছে। *ৰুক্মিণী হৰণ*ত ১০০ সংখ্যক পদত ৰুক্মিণীৰ আকুলতা, আবেগবিহ্বলতা, প্ৰপন্নতা মনোৰমভাৱে ব্যঞ্জিত হৈছে। তেনেদৰে "ছবিছন্দৰ পৰ্বই পৰ্বই থমকি থমকি গতি কৰা আবেগ অনুভূতিৰ ব্যঞ্জনাৰে শঙ্কৰদেৱৰ এই 'মহাবিয়োগ দুখ' (কুৰুক্ষেত্ৰ কাব্য) ৰ বৰ্ণনা সাৰ্থক কাব্যিক সৃষ্টি।"[৪৪]

শঙ্কৰদেৱে তেওঁৰ কাব্যৰ মাজেদি ছান্দসিক প্ৰতিভাৰ প্ৰমাণ দাঙি থৈ গৈছে। "তথাপি এতিয়ালৈকে তেওঁৰ ছান্দসিক প্ৰতিভাৰ বিষয়ে কোনো আলোচনাই হোৱাই নাই - বুলি ক'ব পাৰি।" এই বুলি মন্তব্যৰে মহেন্দ্ৰ বৰাই শঙ্কৰদেৱৰ অনালোচিত ছান্দসিক প্ৰতিভাৰ অধ্যয়নৰ প্ৰয়োজনীয়তা আছে বুলিও উল্লেখ কৰি থৈ গৈছে।

এনেদৰে নন্দনতত্ত্বৰ আধাৰত শঙ্কৰদেৱৰ কাব্য বিচাৰৰ প্ৰসঙ্গত দেখা যায় শঙ্কৰদেৱৰ কাব্যত ছন্দই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। শ্ৰুতিমধুৰতা আৰু স্মৰণযোগ্যতাৰ প্ৰসঙ্গত ছন্দৰ সুষম তথা প্ৰয়োগৰ কথাও জড়িত হৈ আছে। শঙ্কৰদেৱে কাব্যৰ বিষয়বস্তুৰে দাবী কৰাৰ দৰেই চৰিত্ৰৰ উপযোগীকৈ সকলো কাব্য গুণ ৰক্ষা কৰি ছন্দৰ প্ৰয়োগ কৰিছিল। ছন্দ প্ৰয়োগৰ বিচিত্ৰতা আৰু বিচক্ষণতাৰ বাবেই শঙ্কৰদেৱক অসমীয়া কাব্যৰ ছন্দৰ ইতিহাসত 'ছন্দোগুৰু' আখ্যাৰে বিভূষিত কৰা দেখা যায়।[৪৫]

৪৪ কেশদা মহন্ত, পূৰ্বোল্লিখিত, পৃ.৮৬
৪৫ অংশুমান দাস, পূৰ্বোল্লিখিত, পৃ.৪০

৩.৫.০. ধ্বনিৰ সৌন্দৰ্য ঃ

ৰস-ছন্দ-অলংকাৰৰ বাহিৰেও ভাৰতীয় দৃষ্টিত ধ্বনিকো কাব্যৰ সৌন্দৰ্য বৃদ্ধিত সহায়ক বুলি ভবা হয়। আনন্দবৰ্ধনে তেওঁৰ 'ধ্বন্যালোক' গ্ৰন্থত ধ্বনিকেই কাব্যৰ আত্মা বুলি কৈছে। আনন্দবৰ্ধনে বস্তুধ্বনি, অলংকাৰ ধ্বনি আৰু ৰসধ্বনিৰ বিষয়ে আলোচনা কৰিছিল। দশম শতিকাত অভিনৱগুপ্তই ৰসধ্বনিৰ ওপৰত গুৰুত্ব দি ৰস ধ্বনিৰ সম্পৰ্কৰ গভীৰতা প্ৰতিষ্ঠা কৰিলে। 'কবিতাৰ দেহ মনৰ মাজৰ ক'ৰবাত লুকাই থকা এবিধ অনন্য উপাদানেই হ'ল ধ্বনি।'[৪৬]

ধ্বনি হ'ল কাব্য পাঠৰ অন্তত পাঠকৰ অন্তৰত ধ্বনিত হৈ থকা অনুভৱখিনি। অভিধা ধ্বনি আৰু লক্ষণামূলক ধ্বনি হ'ল ধ্বনিৰ দুটা ভাগ। শঙ্কৰদেৱৰ কাব্যৰ ক্ষেত্ৰত ধ্বনিয়েও সৌন্দৰ্য বৃদ্ধিৰ কাৰক বুলিব পাৰি। কিয়নো কাব্যসমূহৰ পাঠৰ অন্ততো পাঠকৰ মনত কাব্যই ধ্বনিত হৈ থাকে। পাঠকে কাব্যৰ আনন্দ অনুভৱ কৰে। সেইবাবেই শঙ্কৰদেৱৰ কাব্যত ধ্বনিকো সৌন্দৰ্যৰ কাৰক বুলি নন্দনতত্ত্বৰ আধাৰত বিচাৰ কৰিব পাৰি। উদাহৰণস্বৰূপে -

জলৰ বেগত এক থান হোৱে ফেন।
ক্ষণিক থাকিয়া ক্ষণেকতে মিলে যেন।।
সেহিমত সংযোগ বিয়োগ সুহৃদৰ।
ঈশ্বৰৰ বশ্য কেহো নোহে স্বতন্তৰ।। (কুৰুক্ষেত্ৰ কাব্য, ৯৫)

কুৰুক্ষেত্ৰ কাব্যৰ এই পদটিৰ পাঠকৰ অন্তৰত দোলা দি থকাৰ মূলতেই হ'ল ধ্বনি। সেইবাবেই শঙ্কৰদেৱৰ কাব্যৰ পাঠৰ অন্তত পাঠক আনন্দিত হয়, অভিভূত হয় আৰু কাব্যৰ সৌন্দৰ্যত মোহিত হয়।

৩.৬.০. বক্ৰোক্তিৰ সৌন্দৰ্য ঃ

কাব্যৰ সৌন্দৰ্য সম্পৰ্কত ভাৰতীয় আলংকাৰিকসকলে বক্ৰোক্তিৰ ওপৰতো গুৰুত্ব দিয়া দেখা যায়। বক্ৰোক্তি মানে হ'ল বেঁকাকৈ কোৱা কথা। কাব্যত যেতিয়া পোনপটীয়াকৈ নকৈ আওপকীয়াকৈ ভাৱ প্ৰকাশ কৰা হয়, তাকে বক্ৰোক্তি বোলা হয়। আচাৰ্য কুন্তক হ'ল বক্ৰোক্তিবাদৰ প্ৰতিষ্ঠাতা। 'বক্ৰোক্তি

৪৬ কৰবী ডেকা হাজৰিকা, *কবিতাৰ ৰূপছায়া*, পৃ.১৬৫

কাব্যজীৱিতম’ বুলি মত প্ৰকাশ কৰা আলংকাৰিক কুন্তকেই খ্ৰী. ১১ শ শতিকাত বক্ৰোক্তিবাদৰ প্ৰতিষ্ঠা কৰে। অৱশ্যে কুন্তকৰ আগতেও ভামহ-দণ্ডী-বামন আদি আলংকাৰিকে বক্ৰোক্তিক কাব্যৰ সৌন্দৰ্য সৃষ্টি আৰু বৃদ্ধিৰ কাৰক বুলি ধাৰণা কৰিছিল। অৱশ্যে কুন্তকেহে বক্ৰোক্তিয়েই কাব্যত চমৎকাৰী আনন্দৰ সৃষ্টি কৰে বুলি সুস্পষ্ট মত আগবঢ়াইছে। শঙ্কৰদেৱৰ কাব্যত মাজে মাজেহে বক্ৰোক্তিৰ প্ৰকাশ ঘটা দেখা যায়। কিয়নো কবি শঙ্কৰদেৱৰ কাব্য চৰ্চাৰ অন্তৰালত উদ্দেশ্য নিহিত হৈ আছিল। সেয়ে কাব্যৰ চৰিত্ৰৰ সংলাপৰ মাজেৰেই শঙ্কৰদেৱে বক্ৰোক্তি প্ৰকাশ কৰিছে। *ৰুক্মিণী হৰণ* কাব্যত ৰুক্মিণীয়ে যেতিয়া সুমালিনী ধাইৰ জৰিয়তে শিশুপালে ৰুক্মিণীক বিয়া কৰিব বিচৰাৰ কথা গম পাই, তেতিয়া ৰুক্মিনীৰ বাক্য কেইটা বক্ৰোক্তিৰ উদাহৰণ বুলিব পাৰি -

মোক বিহা কৰিবাক আইলা শিশুপাল।
মোৰ মনে তেৰেতো জীৱন ভৈল ভাল।।
তাহাৰে কি মুখে মোক বিহাইবা পাৰে।
সিংহৰ ভাৰ্য্যাক যেন শৃগালে আহাৰে।।
হাত মেলে চন্দ্ৰক ছুৱালে যেন ৰঙ্গে।
অমৃতক ইচ্ছা কৰে চুকৰ কোণা বেঙ্গে।। (ৰুক্মিনী হৰণ, ৮৯)

এনেদৰে শঙ্কৰদেৱৰ কাব্যত ধ্বনি, বক্ৰোক্তিয়ে সৌন্দৰ্যৰ সৃষ্টি আৰু বৃদ্ধিত শক্তিশালী ভূমিকা পালন কৰা দেখা যায়।